সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৭ সংখ্যা, ২৫ ভাদ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 37 Date Of Publication -11 September 2022 Rs.10.00/-

## হাইদৰাবাদত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সন্মুখৰ পৰা মাইক্ৰ'ফোন কাঢ়ি নিয়াৰ চেষ্টা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তাক বাধা দিয়াৰ বৃথা চেষ্টা চলালে তেলেংগানাত। বিজেপি বিৰোধী টি আৰ এছে অসমৰ মুখ্যমন্ত্ৰীগৰাকীক বাধা দিবলৈ গৈ এক অতি অবাঞ্ছিত তথা দুৰ্ভাগ্যজনক ঘটনা সংঘটিত কৰে টি আৰ এছ দলটোৰ এজন নেতাই। গণেশ চতুৰ্থীৰ বিসৰ্জনৰ অনুষ্ঠানত বিশেষভাৱে আমন্ত্ৰিত হোৱা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হায়দাবাদত এক ৰেলীত অংশগ্ৰহণ কৰিছিল। হয়াদৰাবাদৰ ভাগ্য নগৰ গণেশ উৎসৱ সমিতিয়ে জনোৱা এই আমন্ত্ৰণত উপস্থিত থকা মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে স্বামী ধৰ্ম অধিকাৰীও উপস্থিত আছিল। সেই সময়তে মুখ্যমন্ত্ৰী ড°শৰ্মাই ভাষণ দিয়াৰ পূৰ্বে টি আৰ এছৰ এজন স্থানীয় নেতা মঞ্চলৈ উঠি গৈ আচম্বিতে মুখ্যমন্ত্ৰীৰ সন্মুখৰ পৰা মাইকটো কাঢ়ি অনাৰ চেষ্টা চলায়। অৱশ্যে লোকজনক মঞ্চত উপস্থিত থকা আনসকলে বাধা দিয়াৰ লগতে টানি-চোঁচৰাই মঞ্চৰ পৰা নমাই দিয়া হয়। মুখ্যমন্ত্ৰী এগৰাকীৰ নিৰাপত্তাৰ ক্ষেত্ৰত কৰা এনে গাফিলতিৰ ফলস্বৰূপেই সংঘটিত ঘটনাক লৈ এতিয়া দেশজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে যোৱা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই প্ৰকাশ কৰা মতে, জনপ্ৰিয় মুখ্যমন্ত্ৰীগৰাকীৰ ভাষণ শুনিবলৈ উক্ত স্থানত ডেৰ

( পাঁচ পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## চৰকাৰী চাকৰিত মহাত্মা গান্ধীৰ ভূমিকা


মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এখন নিকা অসম গঢ়াৰ পথত বিভিন্ন ৰং বিৰঙৰ মহাত্মা গান্ধীয়ে কিয় বাৰো বাধা পথালিৰ সৃষ্টি কৰি থাকে! তিনি কোটিৰ দেওনা পাৰ হোৱা অসমৰ জনসাধাৰণৰ মূৰত মহাত্মা গন্ধীয়ে কিয়নো বাৰে বাৰে ৰাম টাঙোন সোধায় থাকে। মহাত্মা গান্ধীৰ বিভিন্ন ৰঙৰ মোহত মুগ্ধ হৈ বিভিন্ন সময়ত বিভিন্ন জন গ্ৰেপ্তাৰ তথা জেলৰ ভাত খোৱাৰ খবৰ সৰ্বজনবিধিত। চৰকাৰৰ নিকা ভাবমূৰ্তিক ম্লান কৰাৰ উদ্দেশ্যে ই হওঁক বা আন কোনো কাৰণতেই হওঁক অসমৰ ২৬ হাজাৰ নিবনুৱাৰ নিযুক্তি লক্ষ্যৰেই যোৱা ২১ আৰু ২৮ আগষ্ট তাৰিখে অনুস্থিত হোৱা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাত আকৌ বোলে মহাত্মা গান্ধীৰ বিভিন্ন ৰঙে অথন্তৰ ঘটাইছে। চৰকাৰৰ নিকা ভাবমূৰ্তিক ম্লান কৰিবলৈ বিষবাষ্প বিয়পোৱা কোন এই নৰাধম। কেৱল মাত্ৰ ২৬ হাজাৰ চৰকাৰী চাকৰিৰ বাবে অনুস্থিত হোৱা পৰীক্ষাত অবৰ্তীন হোৱা লক্ষ্য লক্ষ্যজনৰ আশাত চেচাঁপানী ঢালিবলৈ পুনৰ মহাত্মা গান্ধী সাজু হোৱা বুলি আজি বিভিন্ন কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ হৰপেৰে প্ৰকাশ পোৱা বাতৰিয়ে সকলোকে পুনৰ উৎকণ্ঠিত কৰি তুলিছে। এতিয়া অপেক্ষা মাথো সঠিক সিদ্ধান্তলৈ...

## ৰাণী দ্বিতীয় এলিজাবেথৰ প্ৰতি সন্মান জনাই ভাৰতত এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- ব্ৰিটেইনৰ সদ্যপ্ৰয়াত ৰাণী দ্বিতীয় এলিজাবেথে বিশ্বৰ প্ৰায় ডেশখন দেশ ভ্ৰমণ কৰিছিল। ৰাণী দ্বিতীয় এলিজাবেথৰ ইউৰোপজুৰি বিশেষ জনপ্ৰিয়তা আছিল। ভাৰতৰ দৰে এছিয়াৰ বহু দেশতো ৰাণীৰ আছিল অসংখ্য অনুৰাগী। তিনিবাৰকৈ ভাৰত ভ্ৰমণ কৰিছিল ব্ৰিটেইনৰ ৰাণীগৰাকীয়ে। ১৯৬১ চনত প্ৰথমবাৰলৈ ভাৰত ভ্ৰমণ কৰা ব্ৰিটেইনৰ ৰাণীগৰাকীয়ে তাৰ পাছতো দুবাৰ ভাৰতলৈ আহিছিল। ব্ৰিটেইনৰ ইতিহাসত আটাইতকৈ বেছি দিন সিংহাসনত থকাৰ অভিলেখ গঢ়া ৰাণী দ্বিতীয় এলিজাবেথে প্ৰতিখন দেশত অতিথিৰ সৈতে সৌহাদ্যপূৰ্ণভাৱে মিলিত হৈছিল। ৰাণীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টুইটাৰত উল্লেখ কৰে যে নিজৰ দেশৰ বহু ব্যক্তিত্বৰ অনুপ্ৰেৰণা ৰাণী দ্বিতীয় এলিজাবেথ। সাধাৰণ মানুহৰ ওচৰত শৃংখলা আৰু মৰ্যাদাৰ প্ৰতীক আছিল ৰাণী। ৰাণীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ব্ৰিটিছ ৰাজ পৰিয়াললৈ সহানুভূতি জ্ঞাপন কৰে মোদীয়ে। ব্ৰিটেইন ভ্ৰমণৰ সময়ত দুবাৰকৈ ৰাণীৰ সৈতে সাক্ষাৎ হৈছিল ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীৰ। ২০১৫ আৰু ২০১৮ চনত ব্যস্ততাপূৰ্ণ সূচীৰ মাজতো ৰাণীৰ সৈতে দেখা কৰাৰ সৌভাগ্য হৈছিল মোদী। ১১ ছেপ্টেম্বৰত ভাৰতে ৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুত ৰাষ্ট্ৰীয় শোক পালন কৰাৰ সিদ্ধান্ত লৈছে। অহা ১১ ছেপ্টেম্বৰত অৰ্ধনমিত থাকিব দেশৰ ৰাষ্ট্ৰীয় পতাকা। গৃহ মন্ত্ৰালয়ৰ তৰফৰ পৰা এক বিবৃতিযোগে উল্লেখ কৰা হৈছে যে ৰাণী দ্বিতীয় এলিজাবেথৰ প্ৰতি সন্মান জনাই এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে।

## ধনশিৰি মহকুমাৰ বৰপথাৰত ৰেল বিভাগৰ বৃহৎ উচ্ছেদ অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- ধনশিৰি মহকুমাৰ বৰপথাৰত ৰেল বিভাগৰ বৃহৎ উচ্ছেদ অভিযান। কালি আবেলি দুখন এচক্সেভেটৰ লৈ ৰেল বিভাগে এই উচ্ছেদ অভিযান চলাই। উল্লেখ্য সুদীৰ্ঘ ৭০ বছৰতকৈও অধিক কাল একাংশ লোকে ৰেল বিভাগৰ ভূমিত অবৈধ ভাবে দোকান - পোহাৰ খুলি ব্যৱসায় কৰি আহিছিল। তদুপৰি একাংশলোকে ৰেলৰে ভূমিত অবৈধ ভাবে ঘৰ বনাই নিগাজিকৈ বসবাস কৰিছিল। উত্তৰ পূব সীমান্তৰ লামডিং ডিভিজনৰ ৰেল বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু ৰেলৰে আৰক্ষীৰ উপস্থিতিত এই উচ্ছেদ অভিযান চলে। উচ্ছেদৰ সময়ত ধনশিৰি মহকুমা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে ৰেল বিভাগক সহযোগ কৰে। ৰেল বিভাগৰ উন্নয়ণ অধিক তৰাম্বিত কৰাৰ স্বাৰ্থত এই উচ্ছেদ অভিযান চলাই। উচ্ছেদিত স্থানত ৰেল বিভাগে ড্ৰাৱল ট্ৰেকৰ ব্যৱস্থা কৰিব বুলি জানিবলৈ দিয়ে সৰুপথাৰৰ ৰাজহ চক্ৰ বিষয়াই। ৰেল বিভাগে প্ৰায় শতাধিক ব্যৱসায়ীক প্ৰতিষ্ঠানৰ লগতে ৰেল বিভাগৰ ভূমিত অবৈধ ভাবে নিৰ্মাণ কৰা মানুহৰ বাসগৃহও উচ্ছেদ কৰে।

২৫ ভাদ ১৪২৭ চন  Rongili Barta, Date of Publication--11  September, 2022

# সৰ্বানন্দ সোণোৱালক শুভেচ্ছা প্ৰদান ৰাজ্যিক বিজেপিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টি সংসদীয় বৰ্ড আৰু নিৰ্বাচনী সমিতিৰ সদস্য হিচাপে মনোনীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক শুভেচ্ছা জনোৱা জ্ঞাতাৰ্থে ৰাজ্যিক বিজেপিৰ উদ্যোগত মহানগৰীৰ মাছখোৱাস্থিত আই টি এ প্ৰকল্পত সম্বৰ্দ্ধনা অনুষ্ঠান আয়োজিত হৈ যায়। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক সম্বৰ্দ্ধনা জনাই ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয়, সৰ্বানন্দ সোনোৱাল আৰু ডঃ হিমন্ত বিশ্ব শৰ্মাৰ যুটীয়া নেতৃত্বত অসমত পোন প্ৰথমবাৰৰ বাবে অকংগ্ৰেছী চৰকাৰ গঠন হৈছে। তেখেতে অত্যন্ত সাহস আৰু দক্ষতাৰে অসম খনক উন্নয়নৰ পোছাক পিন্ধাই থৈ গৈছে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ নেতৃত্বত অসম ৰাষ্ট্ৰীয় পৰ্যায়ত আৰু অধিক আগুৱাই যাব বুলি ৰাজ্যিক সভাপতি গৰাকীয়ে আশা প্ৰকাশ কৰে। কলিতাই লগতে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক ভাৰতীয় জনতা পাৰ্টিৰ সৰ্বোচ্চ সমিতিত স্থান দিয়াৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষক ধন্যবাদ জনায়। সভাত দলৰ কাৰ্যকৰ্তাৰ অভিবাদন গ্ৰহণ কৰি সোনোৱালে কয়, দলৰ কাৰ্যকৰ্তা সকলে কৰা কঠোৰ



শ্ৰমৰ বাবে ৰাষ্ট্ৰীয় সমিতিয়ে তেখেতক এই গধূৰ দায়িত্ব প্ৰদান কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে এই সফলতাক তেখেতে সমগ্ৰ ৰাজ্যিক বিজেপিৰ সফলতা বুলি অভিহিত কৰি ভাৰতীয় চনৰ প্ৰতিষ্ঠা কালৰে পৰা দলৰ হৈ কাম কৰা সকলোকে শ্ৰদ্ধা জনাইছে। তেওঁ কয়, ভাৰতীয় জনতা পাৰ্টি দেশ সেৱা কৰিবৰ বাবে গঠন হৈছে। ই নিস্বাৰ্থ ভাৱে জন্ম লগ্নৰে পৰা ভাৰত মাতৃৰ সুৰক্ষাৰ বাবে সেৱা আগবঢ়াই আহিছে। আনহাতে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক শুভেচ্ছা জনোৱাৰ লগতে দলৰ কেন্দ্ৰীয় নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰে। তেখেতে কয় যে ভাৰতীয় জনতা পাৰ্টিৰ শাসনত অসমে এতিয়া বুকু ফিন্দাই থাকিব পাৰে, অসমীয়াই এতিয়া আকাশ চুবৰ চিন্তা কৰিব পাৰে। অসমৰ জনতাই বিজেপিক সহযোগ কৰিছে সেয়ে চৰকাৰৰ কোনো কথাই যাতে জাতিটোক দুঃখ নিদিয়ে তাৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে তেখেত সদা সষ্টম থাকিব বুলি মত পোষণ কৰে। এই সভাত ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক শুভেচ্ছা জনাই বক্তব্য প্ৰদান কৰে। ৰাজ্যিক বিজেপিৰ সাধাৰন সম্পাদক দিপ্লো ৰঞ্জন শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিমল শুক্লবৈদ্য, ৰণোজ পেগু, চন্দ্ৰ মোহন পাটোৱাৰী, দলৰ উপ সভপতি জয়ন্ত দাস, ৰেখাৰাণী দাস বড়ো, নব কুমাৰ দলে, ৰাজ্য সভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, লোক সভাৰ হৰেণ সিং বে, তপন কুমাৰ গগৈ, প্ৰাক্তন ৰাজ্যিক সভাপতিদ্বয় ৰাজেন গোঁহাই আৰু ৰমেন ডেকা, মেয়ৰ মৃগেন শৰণীয়া, উপ মেয়ৰ স্মিতা ৰয় দাস, বিজেপি, গুৱাহাটী মহানগৰ জিলাৰ সভাপতি তপন দাসৰ লগতে দলৰ কাৰ্যকৰ্তা সকল উপস্থিত আছিল।

# ৰাজ্যিক বিজেপিৰ বিষয়ববীয়া সভা সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতাৰ সভপতিত্বত আজি দলৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য কাৰ্যালয় পদ্ম ভৱনত এখন সাংগঠনিক সভা অনুষ্ঠিত হৈ যায়। দলৰ মুখ্য কাৰ্যালয়ৰ পৰা সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিত মুখপাত্ৰ ৰূপম গোস্বামীয়ে কয়, ৰাজ্যিক বিষয়-ববীয়া, মৰ্চাৰ ৰাজ্যিক সভাপতি, জিলা সভাপতি, জিলা প্ৰভাৰী আৰু সহ-প্ৰভাৰীসকলৰ উপস্থিতিত আয়োজন হোৱা সভাত বুথ সশক্তিকৰণ অভিযান, ৰাজ্যিক বিষয়-ববীয়া, জিলা প্ৰভাৰী আৰু সহ-প্ৰভাৰীসকলৰ মণ্ডল স্তৰত প্ৰৱাস, ১৫ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ আয়োজিত হব লগীয়া সেৱা পষেক, ১৭ অক্টোবৰত বুথ পৰ্যায়ত "গ্ৰাম্য ক্ৰীড়া দিৱস"ৰ লগতে আগন্তুক পৰিয়াল মিলন কাৰ্যসূচীৰ বিষয়ে আলোচ্য হৈ যায়। এই সভাত ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাৰ লগতে সাধাৰণ সম্পাদকদ্বয় পুলক গোহাঁই আৰু দিপ্লো ৰঞ্জন শৰ্মা উপস্থিত আছিল।


# গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ প্ৰবীন চন্দ্ৰ দাসৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সচিব, বিশিষ্ট লোক সংস্কৃতিবিদ, চিন্তাশীল লেখক, গৱেষক, দক্ষ সংগঠক ডঃ প্ৰবীণ চন্দ্ৰ দাসৰ শনিবাৰে নিশা প্ৰায় ১২:৩০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত ডঃ দাসৰ বয়স আছিল ৮০ বছৰ। লোক সংস্কৃতিৰ চৰ্চা, গৱেষণা আৰু প্ৰসাৰত জীৱনপাত কৰা ডঃ দাসৰ বিয়োগত শৈক্ষিক, সাংস্কৃতিক আৰু বৌদ্ধিক জগতত শোকৰ ছাঁ পৰিছে। ডঃ দাসৰ জন্মস্থান হাজো। দীৰ্ঘদিন ধৰি গুৱাহাটীৰ লংকেশ্বৰত স্থায়ীভাৱে বসবাস কৰা ডঃ দাসে মৃত্যুৰ সময়ত দুজন পুত্ৰ, বোৱাৰী, নাতি, বহু আত্মীয়-স্বজন, অজস্ৰ ছাত্ৰ-ছাত্ৰী আৰু অসংখ্য গুণমুগ্ধক এৰি থৈ যায়।

# ডাঃ বসন্ত শইকীয়াৰ বিয়োগত ইলোৰা বিজ্ঞান মঞ্চৰ শোক আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন

ৰঙিলী বাৰ্ত্তাসেৱা-নগাওঁৰ বিশিষ্ট চিকিৎসক ডাঃ বসন্ত শইকীয়া (৯৫ বছৰ)ৰ ৫ চেপ্তেম্বৰ পুৱা গুৱাহাটীৰ বামুনিমৈদামত মৃত্যু হয়। যুক্তিবাদী বিজ্ঞান মানসিকতাৰ অধিকাৰী ডাঃ বসন্ত শইকীয়াৰ বিয়োগত ইলোৰা বিজ্ঞান মঞ্চই গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেওঁৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰিছে। মৃত্যুৰ আগতে ইলোৰা বিজ্ঞান মঞ্চৰ নগাঁও শাখাৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ উন্নতি তথা মানব কল্যাণৰ হকে মৰণোত্তৰ দেহদানৰ শেষ ইচ্ছা পত্ৰত স্বাক্ষৰ কৰি গৈছিল। ডাঃ বসন্ত শইকীয়াৰ শেষ ইচ্ছা অনুসৰি আৰু তেওঁৰ শেষ ইচ্ছাৰ প্ৰতি সন্মান জনাই ৫ চেপ্তেম্বৰ দিনৰ ১২.৫০ বজাত গুৱাহাটী মেডিকেল কলেজত মৰণোত্তৰ দেহদান সুকলমে সম্পন্ন হয়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গুৱাহাটী মেডিকেল



কলেজ কৰ্তৃপক্ষৰ হৈ ডাঃ বসন্ত শইকীয়াৰ মৰণোত্তৰ দেহ মৰ্যাদা সহকাৰে গ্ৰহণ কৰে এনাটমী বিভাগৰ মূৰব্বী অধ্যাপক ডাঃ সত্যজিত মিত্ৰই। মঞ্চৰ যুটীয়া সম্পাদক প্ৰণৱজ্যোতি ডেকাই আঁত ধৰা অনুষ্ঠানটোত ইলোৰা বিজ্ঞান মঞ্চৰ কাৰ্যকৰী সভাপতি তথা গুৱাহাটী মেডিকেল কলেজৰ অধ্যাপক ডাঃ জয়দেৱ শৰ্মাই আজীৱন চিকিৎসক হিচাপে মানবসেৱা কৰি যোৱা জনপ্ৰিয় চিকিৎসক গৰাকীয়ে মৃত্যুৰ পিচতো মানব কল্যানৰ হকে মৰনোত্তৰ দেহদানেৰে যি উদাহৰণ সৃষ্টি কৰিলে তাৰ শলাগ লয়। অনুষ্ঠানটোত গুৱাহাটী মেডিকেল কলেজৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, ইলোৰা বিজ্ঞান মঞ্চৰ সাধাৰণ সম্পাদক কমলেশ গুপ্ত, ডঃ বাসুদেৱ দাস. নৰেন মহন্ত, মনোজ ৰায় প্ৰমুখ্যে মঞ্চৰ বহু কেইজন কৰ্মকৰ্তাই অংশগ্ৰহণ কৰি বিজ্ঞানমনস্ক আৰু মানৱহিতৈষী চিকিৎসক গৰাকীৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰে। প্ৰয়াত ডাঃ বসন্ত শইকীয়াৰ পৰিয়ালৰ সদস্যসকলে ইলোৰা বিজ্ঞান মঞ্চক এই ক্ষেত্ৰত পূৰ্ণ সহযোগ আগবঢ়ায়। ইয়াৰ আগতে দুজন অন্ধলোকৰ চকু সংৰোপণ বাবে শংকৰদেৱ নেত্ৰালয়ৰ চিকিৎসকে তেওঁৰ চকুযুৰি সংগ্ৰহ কৰে। ইলোৰা বিজ্ঞান মঞ্চই তেওঁৰ শোকস্তব্ধ পৰিয়ালবৰ্গ আৰু গুণমুগ্ধ সকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে।

# লেখক, চলচ্চিত্ৰ কৰ্মী ভূৱন লহকৰক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- বি বৰুবা মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, 'প্ৰিয়জন', 'সন্ধ্যাৰাগ', 'অনিৰ্বাণ' আদি চলচ্চিত্ৰৰ কৰ্মী, বিশিষ্ট লেখক ভূৱন লহকৰক 'পৰাগজ্যোতি প্ৰকাশন'ৰ পৰা মহানগৰীৰ চানমাৰিস্থিত নিজ বাসভৱনত ফুলাম গামোচা, স্মাৰক, গ্ৰন্থৰে সম্বৰ্ধনা জনায়। প্ৰকাশনৰ সচিব, সাংবাদিক, কবি দীপক শৰ্মাই আঁত ধৰা সভাত অংশ লৈ অসম সাহিত্য সভাৰ প্ৰাক্তন সহঃ সম্পাদক, 'সাহিত্য কোৱৰ' কমল কলিতাই কয়- 'প্ৰচাৰ বিমুখ সাহিত্য সাধক, বিভিন্ন চলচ্চিত্ৰৰ স'তে জড়িত আছিল ভূৱন লহকৰ। সমাজত একাংশ লোকে বৰ নিৰৱে কাম কৰি থাকে। তেওঁলোকে ৰজাঘৰীয়াৰ দৃষ্টিত নপৰে। নিৰৱ সাধক সকলক ৰজাঘৰীয়াই চিনি পুৰস্কৃত কৰিব লাগে।' ভূৱন লহকৰে সম্বৰ্ধনা লৈ পৰাগজ্যোতি প্ৰকাশনৰ প্ৰচেষ্টাৰ শলাগ লয়।

২৫ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication--11 September, 2022

# অসম তৃণমূল কংগ্ৰেছৰ বিদ্যালয়ৰ একত্ৰীকৰণ আৰু মাতৃভাষা-বিৰোধী অসম চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজোৰা প্ৰতিবাদ- ধৰ্ণা

ৰঙিলী বাৰ্ত্তাসেৱা- বিদ্যালয়ৰ একত্ৰীকৰণ কৰা আৰু মাতৃভাষাবিৰোধী অসম চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি তীব্ৰ প্ৰতিবাদ অসম তৃণমূল কংগ্ৰেছৰ। দুদিনীয়াকৈ হ'বলগীয়া এই ধৰ্ণা-প্ৰতিবাদ কাৰ্যসূচীৰ প্ৰথমদিনা ৰাজ্যখনৰ কেইবাখনো জিলাত অসম তৃণমূল কংগ্ৰেছৰ জিলা সভাপতিসহ বিষয়ববীয়াসকলে স্থানীয় ৰাইজক লগত লৈ অসম চৰকাৰে শেহতীয়াকৈ একত্ৰীকৰণৰ দোহাই দি সম্পূৰ্ণৰূপে বন্ধ কৰা বিদ্যালয়সমূহৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বেনাৰ আৰু হাতে হাতে প্লেকাৰ্ড লৈ 'একত্ৰীকৰণৰ নামত স্কুলসমূহ বন্ধৰ হঠকাৰী সিদ্ধান্ত বাতিল কৰক', 'বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু শৈক্ষিক মান উন্নত কৰক', 'মাতৃভাষা মাধ্যমবিৰোধী সিদ্ধান্ত বাতিল কৰক', 'অসম তৃণমূল কংগ্ৰেছ জিন্দাবাদ' শ্লʼগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অসম তৃণমূল কংগ্ৰেছৰ এই প্ৰতিবাদী কাৰ্যসূচীত উক্ত বিদ্যালয়ৰ চৌপাশৰ ৰাইজে স্বতঃস্ফূৰ্ত অংশগ্ৰহণ কৰি ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ শিক্ষাবিৰোধী টোগলকী কাণ্ডৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। 'একোখন বিদ্যালয় স্থাপনৰ আঁৰত এটা অঞ্চলৰ ৰাইজৰ স্বতঃস্ফূৰ্ত আবেগ জড়িত হৈ থাকে। গাঁঠিৰ ধন ভাঙি, মূৰৰ ঘাম মাটিত পেলাই একোখন বিদ্যালয়ৰ জন্ম দিয়া হয়। সময়ত চৰকাৰৰ নিৰ্দিষ্ট নিয়মৰ জৰিয়তে প্ৰাদেশীকিকৰণ হয়। তেতিয়া ইয়াৰ দায়িত্ব চৰকাৰৰ হাতত ন্যস্ত হয়। কিন্তু চৰকাৰে সঠিক সময়ত নিজৰ দায়িত্ব সঠিকভাৱে পালন নকৰাৰ ফলত সৃষ্টি হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস বা নিম্ন মানৰ ফলাফলৰ দোহাই দি স্বেচ্ছাচাৰী নীতিৰে বিদ্যালয়সমূহ বন্ধ কৰিছে। বিগত সময়ছোৱাত অসমৰ শিক্ষামন্ত্ৰীৰ দায়িত্বত আছিল স্বয়ং আজিৰ মুখ্যমন্ত্ৰীগৰাকী। তেওঁৰ চূড়ান্ত ব্যৰ্থতাৰ ইয়াতকৈ ডাঙৰ উদাহৰণ কি লাগে?, 'প্ৰতিবাদকাৰীসকলে



মন্তব্য কৰে। আনহাতে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিপৰীতে গৈ তৃতীয় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান বিষয়ৰ শিক্ষা ইংৰাজী ভাষাত গ্ৰহণ কৰিবলগাৰ বলপূৰ্বক সিদ্ধান্ত জাপি দি মাতৃভাষাবিৰোধী স্থিতি লোৱাৰ বিৰুদ্ধে বক্তব্য ৰাখে প্ৰতিবাদীসকলে। আনহাতে বিষয়টো অতি গুৰুত্বসহকাৰে লৈ ধাৰাবাহিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰৰ স্বৰূপ উদঙাই দিয়াৰ বাবে অসম তৃণমূল কংগ্ৰেছ দলক প্ৰশংসাৰে ওপোচাই দিয়াৰ লগতে ধন্যবাদ জ্ঞাপন কৰে ৰাইজে। অসম চৰকাৰে এই জাতিধ্বংসী সিদ্ধান্তসমূহ বাতিল নকৰা পৰ্যন্ত অসম তৃণমূল কংগ্ৰেছৰ ৰাজ্যজোৰা প্ৰতিবাদ অব্যাহত থাকিব বুলি প্ৰতিবাদকাৰীসকলে হুংকাৰ দিয়ে।

# গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত পদকজয়ীক চাকৰি প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- গুজৰাটত চলিত মাহৰ শেষৰ পৰা আৰম্ভ হ'বলগীয়া ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত পদকজয়ী খেলুৱৈসকলক শিক্ষাগত অৰ্হতাৰ ভিত্তিত তাৎক্ষণিকভাৱে চৰকাৰী চাকৰি প্ৰদান কৰিব বুলি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাই ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ উছাহৰ ঢল আনিছে। মুখ্যমন্ত্ৰীজনৰ এই মহানুভৱতা আৰু অসমৰ ক্ৰীড়াজগতখনক আগুৱাই নিব পৰা এই ঐতিহাসিক সিদ্ধান্তৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জনাইছে অসম অলিম্পিক সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল আৰু অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰে। উল্লেখ্য, উত্তৰ-পূৰ্বৰ প্ৰথমগৰাকী অৰ্জুন বঁটাজয়ী ব্যক্তি ভোগেশ্বৰ বৰুৱাৰ জন্মদিনটো অসম চৰকাৰে বিগত বৰ্ষৰ পৰা ক্ৰীড়া পেঞ্চন দিৱস হিচাপে পালন কৰিছে। এই অনুষ্ঠানতে অসমৰ মুখ্যমন্ত্ৰীজনে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰা খেলুৱৈসকলক শিক্ষাগত অৰ্হতাৰ ভিত্তিত চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব বুলি কয়। মুখ্যমন্ত্ৰীজনৰ এই সিদ্ধান্তত আনন্দ প্ৰকাশ কৰি অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোনোৱালে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে এয়া আশাপ্ৰদ খবৰ বুলি উল্লেখ কৰিছে। আনহাতে, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে চৰকাৰৰ এই সিদ্ধান্তক কৃতজ্ঞতা জনায় কয় যে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰৰ উন্নয়ণৰ বাবে সদায় নতুন চিন্তা কৰি আহিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ ক্ৰীড়াজগতখন আৰু অধিক উজ্জল হৈ পৰিব বুলিও লগতে কয় কোঁৱৰে।

# ভাৰতীয় দলিত সাহিত্য একাডেমীৰ ৩৫ জন শিক্ষকক বঁটা প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত ডঃ সৰ্বপল্লী ৰাধাকৃষণৰ ৬১ সংখ্যক শিক্ষক দিৱস উপলক্ষে ৩৫ জন কৃতি শিক্ষকক গামোচা, স্মাৰক, জাপি, ধৰ্মীয়গ্ৰন্থ, সম্বৰ্ধনা পত্ৰৰে বঁটা প্ৰদান কৰা হয়। কাৰ্যকৰী সভাপতি অশ্বিনী কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানৰ প্ৰাৰম্ভণিতে ৰাধাকৃষণৰ প্ৰতিচ্ছবিৰ সন্মুখত সভাপতি গজেন দাসে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। সম্পাদক ৰঞ্জন বড়োৱে আদৰণী ভাষণ দিয়া সভাত পৌৰোহিত্য কৰে প্ৰাক্তন শিক্ষক অজিত কুমাৰ দাসে। সভাত লেখিকা মণিকা দাস, কৃতি শিক্ষক ৰমেন কুমাৰ দাস, প্ৰাক্তন অধ্যাপক ডঃ প্ৰমোথেশ বায়ন আদিয়ে শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাত শিক্ষক জয়াৰাণী ৰয়, দেবেন সিং ৰাজগোড়, ৰঞ্জন কুমাৰ মেধি, গৌতম বসুমতাৰী, নয়ন চৌধুৰীয়ে মনৰ ভাব ব্যক্ত কৰে।

# গুৱাহাটীত পুনৰ সাংবাদিকক আক্ৰমণ, দিছপুৰ প্ৰেছ ক্লাবৰ গৰিহণা, ঘটনাৰ উচিত তদন্তৰ দাবী

ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক বনজিত ঠাকুৰীয়াক বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁতে একাংশ দুৰ্বৃত্তই আক্ৰমন কৰা ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিছে দিছপুৰ প্ৰেছ ক্লাবে। এক বিবৃতিত দিছপুৰ প্ৰেছ ক্লাবৰ সভাপতি ডঃ নৰেন হাজৰিকা আৰু সাধাৰণ সম্পাদক কুঞ্জ মোহন ৰায়ে সাংবাদিকক কৰা আক্ৰমণৰ ঘটনাক গৰিহণা দি ঘটনাত জড়িত সকলোক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে উচিত তদন্তৰ দাবী জনায়। উল্লেখ্য যে গুৱাহাটীৰ চান্দমাৰী থানাৰ অন্তৰ্গত কমাৰ্চ পইন্টত নিশা সংঘটিত অগ্নিকাণ্ডৰ বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁতে অসমীয়া প্ৰতিদিনৰ জ্যেষ্ঠ সাংবাদিক বনজিত ঠাকুৰীয়াক এদল দুৰ্বৃত্তই নিশা আক্ৰমন কৰে। দুৰ্বৃত্তৰ দলৰ আক্ৰমণত তেওঁ মুখমণ্ডল আৰু শৰীৰৰ বিভিন্ন স্থানত আঘাত পাইছে। আৰক্ষীয়ে খেদি গৈ দুৰ্বৃত্তৰ দলটোৰ দুজনক গ্ৰেপ্তাৰ কৰে। ঘটনাটো মাজনিশা প্ৰায় ১ বজাৰ। নিশা আৰক্ষীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈছিল যদিও পুৱাৰ পৰা অʼ চি য়ে সাংবাদিক নিৰ্যাতন কাৰীৰ পক্ষ লোৱাৰ অভিযোগ উঠিছে। আনহাতে সাংবাদিক আক্ৰমণৰ ঘটনাত জড়িত দোষী যাতে সাৰি নাযায় তাৰ বাবে আৰক্ষীক নিৰপেক্ষ ভূমিকা পালন কৰাৰ বাবেও বিবৃতি যোগে দাবী জনাইছে প্ৰেছক্লাবে।

# বানপীড়িত এলেকাত খাদ্য সামগ্ৰী বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বানপীড়িত ৰাইজক সহায় কৰিবৰ বাবে মেড্ৰেইচ লিমিটেডৰ উদ্যোগত, পিপল টু পিপল হেল্থ ফাউণ্ডেশ্যন আৰু স্বাষ্টিকমৰ সহযোগত অসমৰ নলবাৰী আৰু কামৰূপ জিলাৰ বিভিন্ন এলেকাত ৬০০ তকৈ অধিক পৰিয়ালৰ মাজত বিনামূলীয়াকৈ খাদ্য সামগ্ৰী বিতৰণ কৰে। তিনিদিনীয়া এই কাৰ্যসূচী ১, ৩ আৰু ৪ ছেপ্টেম্বৰত আয়োজন কৰা হয়। বাৰ্গাচা গাঁৱৰ গাওঁবুঢ়া অৰবিন্দ বড়োৰ লগতে অঞ্চলটোৰ কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে। লগতে স্বাষ্টিকমৰ প্ৰতিষ্ঠাপক নিশান্ত বালগোবিন্দ, মেড্ৰেইচৰ চিইঅ পংকজ গাৰ্গ, পিটুপিএইচএফৰ চিইঅ লক্ষ্মীকান্ত পালো সহযোগ কৰে।

# লেহত ৰাষ্ট্ৰীয় সোৱা ৰিগ্‌পা প্ৰতিষ্ঠানৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰে কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে

ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় আয়ুষ তথা বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে লেহৰ ছাবু থাং অঞ্চলত ৰাষ্ট্ৰীয় সোৱা ৰিগপা প্ৰতিষ্ঠানৰ নতুন কমপ্লেক্সৰ আধাৰশিলা স্থাপন কৰে। এই নতুন আন্তঃগাঁথনিয়ে দেশখনত সোৱা ৰিগ্‌পাই আগবঢ়োৱা বিশাল সম্ভাৱনাক অধিক উন্মোচিত কৰাত সহায় কৰিব আৰু সমৃদ্ধ হিমালয়ান ঔষধি ঐতিহ্যৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে এক অতি প্ৰয়োজনীয় মঞ্চও প্ৰদান কৰিব। নতুন কমপ্লেক্সটো লাডাখ স্বায়ত্তশাসিত পাহাৰ উন্নয়ন পৰিষদৰদ্বাৰা ১২০ কানাল এলেকাত বিকশিত কৰা হ'ব আৰু ই দেশৰ সোৱা ৰিগ্‌পাৰ অগ্ৰণী কেন্দ্ৰ হিচাপে কাম কৰিব। প্ৰথম পৰ্যায়ত ২৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই কমপ্লেক্সটোত চিকিৎসালয় খণ্ড, হোষ্টেল, কৰ্মচাৰীৰ কোৱাৰ্টাৰ আদি বিভিন্ন সুবিধা গঢ় দিয়া হ'ব। প্ৰতিষ্ঠানখনৰ শক্তি বৃদ্ধিৰ লগতে এই পৰিকল্পিত বিনিয়োগৰ উদ্দেশ্য হৈছে প্ৰতিষ্ঠানখনক স্থানীয়, ৰাষ্ট্ৰীয় আৰু বিশ্বব্যাপী সোৱা ৰিপাৰ উৎকৰ্ষ কেন্দ্ৰ হিচাপে বিকশিত কৰা। ইয়াৰ শৈক্ষিক খণ্ডটো ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ কথা আছে। তদুপৰি, আয়ুষ মন্ত্ৰালয়ে ১০ হেক্টৰ এলেকাত ভেষজ ঔষধি বাগিচা স্থাপনৰ বাবে ৰাষ্ট্ৰীয় সোৱা ৰিগপা প্ৰতিষ্ঠানক সহযোগিতা আগবঢ়াইছে। ই হিমালয়ান অঞ্চলৰ মূল্যবান ঔষধি উদ্ভিদৰ সংৰক্ষণত সহায় কৰাৰ উপৰিও মানৱ ৰোগৰ সুচিকিৎসাৰ বাবে অধিক গৱেষণাত সহায় কৰিব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সৰ্বানন্দ সোণোৱালে কয়, "পৰম্পৰাগত ভাৰতীয় চিকিৎসা তথা ঔষধি পদ্ধতিৰ শক্তি আৰু অপৰিসীম সম্ভাৱনাক ৰোগৰপৰা আৰোগ্য হোৱাত আৰু জনসাধাৰণক এক মানসম্পন্ন জীৱন উপভোগ কৰাত সহায় কৰিবলৈ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব লাগিব। আমাৰ সমৃদ্ধ ঐতিহ্যই সোৱা ৰিপাৰ দৰে অনুশীলন প্ৰদান কৰিছে যিয়ে অনাদিকালৰপৰা হিমালয়ান অঞ্চলৰ লোকসকলক বিশেষকৈ উপকৃত কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী হৈছে এই সমৃদ্ধ ভাৰতীয় ঔষধি পদ্ধতিসমূহক আধুনিক চিকিৎসা পদ্ধতিৰ সমান্তৰালভাৱে মৰ্যাদা প্ৰদান কৰা যাতে মানুহক এক সামগ্ৰিক সুস্থতাৰ অভিজ্ঞতা প্ৰদান কৰিব পৰা যায়। মোদীৰ গতিশীল নেতৃত্বত আয়ুষৰ অনুশীলনে যথেষ্ট উৎসাহ লাভ কৰিছে আৰু মানৱ জাতিৰ বৃহত্তৰ কল্যাণৰ হকে পৰম্পৰাগত ভাৰতীয় ঔষধৰ প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰী মোডীয়ে নিৰন্তৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ বাবে আজি সোৱা ৰিগ্‌পাই এক নতুন গতি লাভ কৰিছে। আমি নিশ্চিত যে, এনে পদক্ষেপে হিমালয়ান অঞ্চলৰ বাহিৰতো সোৱা ৰিপাৰ জনপ্ৰিয়তা বৃদ্ধি কৰিব আৰু সমগ্ৰ বিশ্বৰ লোকসকলক এক উন্নত, স্বাস্থ্যৱান আৰু সুখী জীৱন যাপন কৰাত সহায় কৰিব।" ২০১৯ চনৰ ২০ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত অনুসৰি ৰাষ্ট্ৰীয় সোৱা ৰিগ্‌পা প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল। প্ৰতিষ্ঠানখনে ইতিমধ্যে আইআইএম, টিকেডিএল, এফ এইচআৰআই, আইচিএফআৰই, এমিটি বিশ্ববিদ্যালয় আৰু মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰিছে আৰু ট্ৰেন্স-হিমালয়ান অঞ্চলৰ সোৱা-ৰিগ্‌পা তথা ঔষধি প্ৰকল্পৰ সন্দৰ্ভত সহযোগিতামূলক গৱেষণাৰ কাম আৰম্ভ কৰিছে। প্ৰতিষ্ঠানখনে ২০২১-২২ শিক্ষাবৰ্ষৰপৰা সোৱা ৰিপা অধ্যয়ন কৰিবলৈ ইচ্ছুক শিক্ষাৰ্থীসকলৰ বাবে আণ্ডাৰ গ্ৰেজুৱেট পাঠ্যক্ৰম আৰম্ভ কৰিছে।




সোৱা ৰিগ্‌পা মেডিচিন এণ্ড ছাৰ্জাৰী (বিএছআৰএমএছ)ৰ স্নাতক হৈছে লাডাখ বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত ৫.৫ বছৰৰ পাঠ্যক্ৰম। এই ব্যৱস্থাই বিশেষকৈ অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ আৰু লাডাখৰ লোকসকলৰ বাবে উৎসাহজনক বতৰা কঢ়িয়াই আনিছে য'ত এই পৰম্পৰাগত ঔষধি প্ৰথা যথেষ্ট জনপ্ৰিয়। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানখনে লেহ আৰু জাংস্কাৰৰ চিকিৎসালয়ত আৰু লগতে টি.এছ.পি. প্ৰকল্পৰ অধীনত ভ্ৰাম্যমাণ চিকিৎসা শিবিৰৰ জৰিয়তে জনসাধাৰণৰ বাবে বিনামূলীয়াকৈ সোৱা ৰিগ্‌পা চিকিৎসা সেৱা প্ৰদান কৰি আছে। সোৱা ৰিগ্‌পা চিকিৎসাৰদ্বাৰা প্ৰতি বছৰে হাজাৰ হাজাৰ ৰোগী উপকৃত হয়। সোৱা ৰিগ্‌পা হৈছে পৃথিৱীৰ অন্যতম পুৰণি, সঠিক নথিভুক্ত আৰু এক জীৱন্ত চিকিৎসা পৰম্পৰা। হিমাচল প্ৰদেশ, অৰুণাচল প্ৰদেশ, ছিকিম, লাডাখ আৰু অন্যান্য আন্তঃহিমালয়ান অঞ্চলৰ জনস্বাস্থ্য আৰু সামাজিক-সাংস্কৃতিক ব্যৱস্থাৰ বাবে ই অপৰিহাৰ্য অংগ হিচাপে বিবেচিত হৈ আহিছে। জনসাধাৰণৰ স্বাস্থ্য আৰু সুস্থতা, পুষ্টি, ফাৰ্মাচিউটিকেল আৰু প্ৰসাধনৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সোৱা ৰিপাৰ যথেষ্ট সম্ভাৱনা আছে যিয়ে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ গুণক হিচাপেও কাম কৰিব পাৰে। অনুষ্ঠানটোত লগতে উপস্থিত থাকে কেন্দ্ৰীয় আয়ুষ তথা মহিলা আৰু শিশু বিকাশ ৰাজ্যিক মন্ত্ৰী ডাঃ মহিন্দ্ৰাভাই কালুভাই মুঞ্জপাৰা, লেহৰ সাংসদ জাময়াং ছেৰিং নামগিয়াল, ৰাষ্ট্ৰীয় সোৱা ৰিগ্‌পা প্ৰতিষ্ঠানৰ সঞ্চালক পদ্মা গুৰমীত প্ৰমুখ্যে আয়ুষ মন্ত্ৰালয়, লাডাখ কেন্দ্ৰীয়শাসিত অঞ্চল আৰু ৰাষ্ট্ৰীয় সোৱা ৰিগ্‌পা প্ৰতিষ্ঠানৰ বিষয়ববীয়া, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু সংশ্লিষ্ট লোকসকল।

# বেবেজীয়াত বিশিষ্ট অভিনেতা, নাট্যকাৰ, পৰিচালক প্ৰদীপ শৰ্মাৰ স্মৃতিচাৰণ সভা সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা-নগাঁও জিলাৰ বেবেজীয়াৰ নিবাসী সদ্য প্ৰয়াত অসম আন্দোলনৰ নেতা, বিশিষ্ট অভিনেতা, নাট্যকাৰ, পৰিচালক তথা সমাজকৰ্মী প্ৰদীপ শৰ্মাৰ এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠান "ফ্ৰেণ্ডছ-এ হেল্পিং হেণ্ড"ৰ উদ্যোগত অনুষ্ঠিত হোৱা সভাখনি সঞ্চালনা কৰে প্ৰবীণ অভিনেতা তথা "ফ্ৰেণ্ডছ-এ হেল্পিং হেণ্ড"ৰ সভাপতি ৰাজেন শৰ্মাই। স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ সম্পাদক ললিত চন্দ্ৰ বেজবৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত উপস্থিত থাকি বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ যাদৱ চন্দ্ৰ বৰা, প্ৰাক্তন উপাধ্যক্ষ বাণীকান্ত শৰ্মা, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰা, সমাজকৰ্মী গিৰীশ বৰা, দেৱ বৰা আৰু শংকৰী কলাকৃষ্টিৰ সাধক অনন্ত হাজৰিকাই প্ৰয়াত প্ৰদীপ শৰ্মাৰ জীৱনাদৰ্শ আৰু কৰ্মৰাজিৰ



আলোকপাত কৰাৰ লগতে অতীত স্মৃতি ৰোমন্থন কৰে। উক্ত সভাতে জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ "প্ৰদীপ অৰ্ঘ" উন্মোচন কৰে প্ৰাক্তন মন্ত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যাপক, শিক্ষাবিদ তথা সুবক্তা গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। স্মৃতিগ্ৰন্থখনি উন্মোচন কৰি শিক্ষাবিদ বৰুৱাই কয় যে এজন ব্যক্তিৰ নামত প্ৰকাশ পোৱা এখনি স্মৃতিগ্ৰন্থই ব্যক্তিজনৰ কৰ্মৰাজিৰ লগতে বংশ মৰ্যাদাৰ পৰিচয় দাঙি ধৰে। ব্যক্তিগৰাকীৰ জীৱন দৰ্শনে সকলোকে অনুপ্ৰাণিত কৰাৰ লগতে সমাজ গঢ়াৰ ক্ষেত্ৰত এক আদৰ্শ দাঙি ধৰে। কবি তথা শাস্ত্ৰজ্ঞ নৱেন চন্দ্ৰ নাথে এটি কবিতা পাঠেৰে সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনিত প্ৰয়াত শৰ্মাৰ পৰিয়ালৰ তৰফৰ পৰা কনিষ্ঠ ভাতৃ অজিত শৰ্মা, যতীন্দ্ৰ নাথ শৰ্মা, ভাই বোৱাৰী বিউটি বেজবৰুৱা শৰ্মাৰ লগতে সমজুৱাৰ ফালৰ পৰা প্ৰদ্যুম্ন গোস্বামীয়েও চমু বক্তব্য আগবঢ়ায়। উল্লেখ্য, সভাৰ আৰম্ভণিতে অভিনেতা ৰাজেন শৰ্মাই প্ৰয়াত প্ৰদীপ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা আৰু সাংবাদিক দেৱজিৎ হাজৰিকাই আঁত ধৰা সভাখনিত ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বকুল চন্দ্ৰ শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰতিকান্ত শৰ্মা, প্ৰবীণ শিল্পী গম্ভীৰ নাথ, সমাজসেৱী নবীন বেজবৰা, নাৰায়ণ হাজৰিকা, ভূমিধৰ শৰ্মা, দিপ্তী খাটনিয়াৰ, নাট পৰিচালক দিলীপ লস্কৰ, অভিনেতা দীপ বৰা, শিক্ষক জিতু বৰা, মহেশ্বৰ হাজৰিকা, লক্ষ্মী নাৰায়ণ বৰা, "ব'দঘাই বেবেজীয়া"ৰ সম্পাদক ৰঞ্জন হাজৰিকা, ভুৰাগাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰিপুঞ্জয় শৰ্মাকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# অসমীয়া চিনেমাৰ প্ৰযোজক, বিতৰক এবাদত চৌধুৰীৰ মৃত্যু

ৰঙিলী বাৰ্তাসেৱা-অসমীয়া চিনেমাৰ সফল বিতৰক, প্ৰযোজক এবাদত আলী চৌধুৰীৰ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউত ৭২ বছৰ বয়সত মৃত্যু হয়। ফিল্ম ৰিপ্ৰেজেণ্টেটিভ হিচাপে কৰ্মজীৱন আৰম্ভ কৰা প্ৰয়াত চৌধুৰী পাছলৈ অসমীয়া চিনেমাৰ এগৰাকী সফল বিতৰক হিচাপে পৰিচিত হয় আৰু চিনেমা প্ৰযোজনাত নামি পৰে। হিয়া দিয়া নিয়া, দাগ, কইনা মোৰ ধুনীয়া, কাদম্বৰীৰ দৰে অসমীয়া চিনেমাৰ বিতৰকৰ দায়িত্ব গ্ৰহণ কৰিছিল প্ৰয়াত এবাদত চৌধুৰীয়ে। ব্যৱসায়ীকভাৱে সফল অসমীয়া চিনেমাৰ অন্যতম এগৰাকী পৰিচালক প্ৰয়াত মুনীন বৰুৱাই তেওঁৰ প্ৰায়বোৰ চিনেমাৰ বিতৰণৰ দায়িত্ব প্ৰয়াত চৌধুৰীক অৰ্পণ কৰিছিল। হিয়া দিয়া নিয়াৰ মুক্তিৰ সময়ত চিনেমাখন নিৰ্বাচিত চিনেমা হলত চলাবলৈ বহুতে পৰামৰ্শ দিছিল। অভিজ্ঞ বিতৰক এবাদত চৌধুৰীয়ে ব্যৱসায়ীক ভাৱে সফলতা অৰ্জনৰ বাবে সৰু বৰ সকলো ধৰণৰ চিনেমা হলত চলাবৰ বাবে মুনীন বৰুৱাক



সৈমান কৰায়। ফলত হিয়া দিয়া নিয়া এখন অন্যতম ব্যৱসায়ীক ভাৱে সফল অসমীয়া চিনেমা হিচাপে খ্যাতি অৰ্জন কৰে। অসমৰ এগৰাকী প্ৰসিদ্ধ চিনেমা বিতৰক প্ৰয়াত মানিক দত্তৰ অধীনত ফিল্ম ৰিপ্ৰেজেণ্টেটিভ হিচাপে কাম কৰি থকাৰ সময়ত জয় সন্তোষী মা নামৰ ধৰ্মমূলক হিন্দী চিনেমাখনে মুক্তি লাভ কৰে। চিনেমাখনৰ অসমত বিতৰকৰ দায়িত্ব লবৰ বাবে প্ৰথমতে কোনো আগবাঢ়ি অহা নাছিল। দৰ্শকৰ ৰুচি বুজি পোৱা এবাদত চৌধুৰীয়ে প্ৰয়াত দত্তক চিনেমাখনৰ বিতৰকৰ দায়িত্ব লবলৈ পৰামৰ্শ আগবঢ়ায়। জয় সন্তোষী মাৰ ব্যৱসায়িক সফলতা ভাৰতীয় চিনেমাৰ ইতিহাসত লিপিবদ্ধ হৈ আছে। প্ৰয়াত

( পাঁচ পৃষ্ঠাত চাওক)

২৫ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication--11 September, 2022

# অসমীয়া চিনেমাৰ

এবাদত চৌধুৰীয়ে কাদম্বৰীৰ অন্যতম প্ৰযোজক আছিল। ইষ্টাৰ্ণ ইণ্ডিয়া ম'চ'ন পিকচাৰ্ছ এচছিয়েশ্বনৰ অন্যতম সদস্য এবাদত চৌধুৰীৰ অসমীয়া ছবিৰ ব্যৱসায়িক দিশত এগৰাকী অভিজ্ঞ ব্যক্তি হিচাপে বহুতে তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। অসমীয়া ছবিৰ দূৰ্বলতা সম্পৰ্কেও বিশেষ জ্ঞান থকা চৌধুৰীৰ মুকলিমুৰীয়া আলোচনাৰ বাবে বহুতে তেওঁক এৰাই চলিছিল। অসমীয়া চিনেমাই সহজ সৰল স্বকীয়তা বিসৰ্জন দি হিন্দী চিনেমাক অন্ধভাৱে অনুকৰণ কৰিলে তেনে চিনেমাক অসমীয়া দৰ্শকে গ্ৰহণ নকৰে বুলি প্ৰয়াত চৌধুৰীয়ে স্পষ্টভাৱে মত ব্যক্ত কৰিছিল। গুৱাহাটীৰ আঠগাঁৱত জন্ম হৈ তাতে ডাঙৰ দীঘল হোৱা এবাদত চৌধুৰীয়ে পাছলৈ ধীৰেনপাৰাত বাস কৰিবলৈ লয় আৰু চিনেমাৰ ব্যৱসায় বাদ দি বিভিন্ন সামজিক কামত জড়িত হৈ পৰে। তেওঁ কেবাবছৰ ধীৰেনপাৰা ইটাভাটা ঈদগাহৰ সম্পাদক আছিল আৰু আঠগাঁৱৰ গুৱাহাটী কবৰস্থানৰ লগতো জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিজনী কন্যা, দুজন জোঁৱাই আৰু তিনিজন নাতিক ইহ সংসাৰত এৰি থৈ যায়। এগৰাকী উদাৰ, সহনশীল আৰু মানৱতাবাদী ব্যক্তিৰূপে প্ৰয়াত এবাদত চৌধুৰী জাতি, ধৰ্ম নিৰ্ৱিশেষে সকলোৰে মাজত সমানে জনপ্ৰিয় আছিল। শ শ লোকৰ অংশগ্ৰহণেৰে আঠগাঁৱৰ গুৱাহাটী কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন হয়।

# হাইদৰাবাদত মুখ্যমন্ত্ৰী ড° হিমন্ত

লক্ষাধিক লোক সমৱেত হৈছিল। তেনে সময়তে মঞ্চলৈ টি আৰ এছৰ এজন নেতা উঠি আহি মুখ্যমন্ত্ৰীক বাধা দিয়াৰ চেষ্টা চলায়। মন্ত্ৰী বৰুৱাই প্ৰকাশ কৰা মতে, এইজন নেতা বিগত বিধানসভা নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ হাতত পৰাজিত হৈছিল। তেলেংগানাত বিজেপিৰ উত্থানক লৈ শংকিত হৈ পৰা হেতু টি আৰ এছৰ নেতাই এনে কাণ্ড সংঘটিত কৰে বুলি সন্দেহ কৰা হৈছে। ইয়াৰ বিপৰীতে কিন্তু লক্ষ লক্ষ লোক সমবেত হোৱা স্থানত অসমৰ মুখ্যমন্ত্ৰীগৰাকীক চাবলৈ উপস্থিত জনতাই যিদৰে হেতা-ওপৰা লগায়, তাৰ পৰাই প্ৰমাণ হয় ড° হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তা কিমান। ইফালে, গণেশ বিসৰ্জন উৎসব সমিতিৰ সাধাৰণ সম্পাদক ভগৱন্ত ৰাৱে জানিবলৈ দিয়া মতে, প্ৰতিবছৰে বিসৰ্জনৰ এই অনুষ্ঠানলৈ এজন জনপ্ৰিয় লোকক আমন্ত্ৰণ জনোৱা হয়। এইবাৰ এই অনুষ্ঠানলৈ অসমৰ মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হৈ থকা প্ৰতিক্ৰিয়াৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই হায়দৰাবাদত ঐতিহাসিক ভাগ্যলক্ষ্মী মন্দিৰ দৰ্শন কৰি আশিস লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে হায়দাবাদৰ শ্যাম মন্দিৰতো উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীক মন্দিৰ দৰ্শনৰ সময়ত সংগ দিয়ে কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী কিষাণ ৰেড্ডী গংগাপুৰম, অসমৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক মানৱ ডেকাই। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে তেলেংগানাৰ বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তাসকলৰ সৈতে এক বাৰ্তালাপত মিলিত হয়। এই বৈঠকতে তেলেংগানাত বিজেপিৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন দিশ উল্লেখ কৰে।




# বৰষুণ, বানপানী আৰু গুৱাহাটী

**ফখৰুদ্দিন আহমেদ**

কৈশোৰ কালত গুৱাহাটীলৈ কাৰোবাৰ লগত যাব পৰাটো এটি ডাঙৰ সুযোগ হিচাপে গ্ৰহণ কৰিছিলো। বয়সৰ হিচাপত পঞ্চাশৰ দেউনাত ভৰি দিয়াৰ সাম্প্ৰতিক মুহূৰ্তলৈ বিভিন্ন কাৰণত বহু বাৰ গুৱাহাটীলৈ অহা যোৱা কৰিছো। এতিয়া অৱশ্যে উত্তৰ গুৱাহাটীৰ জাহাজ ঘাটেৰে গুৱাহাটীলৈ অহা যোৱা কৰাৰ সুবিধা হোৱাত বিষয়টি সহজতৰ পৰা সহজতম পৰ্যায়লৈ গতি কৰিছে। গুৱাহাটী বিভিন্ন কাৰণত কেৱল অসমৰ বাবেই নহয় বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ বাবে আকৰ্ষনীয় স্থান হিচাপে বিবেচিত হৈ পৰিছে। কিন্তু যোৱা ছয় চেপ্তেম্বৰ তাৰিখ মঙ্গলবাৰে গুৱাহাটীলৈ সপত্নীক গৈ তিনিটি প্ৰায় বিৰল অভিজ্ঞতাৰ সমূখীন হ'লো। সেই তিনিটা অভিজ্ঞতাই আজীৱন মোৰ মন গহ্বৰত দোলা দি থাকিব।

মোৰ ৰুটিন মাফিক স্বাস্থ্য পৰীক্ষাৰ বাবে সপত্নীক উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ড নামৰ জাহাজ ঘাটটিৰে পাৰ হৈ গুৱাহাটীৰ উলুবাৰীস্থ এপ'ল' ক্লিনিক পাইছিলো গৈ ৰাতিপুৱা প্ৰায় ৭-৩০ বজাত। ইতিমধ্যে আমি যাত্ৰা পথত প্ৰায় ৩৭ কিলো মিটাৰ মান পথ অতিক্ৰম কৰিছিলো। তাত মোৰ তেজ পৰীক্ষাৰ বাবে তেজ দি ওলাই গৈছিলো হাতীগাঁৱলৈ। তাত ভাত পানী খাই পুনৰ উপস্থিত হৈছিলো গৈ এপ'ল' ক্লিনিকত আবেলি প্ৰায় ৪-০০ বজাত। ডেৰ ঘন্টামান ৰিপোৰ্টৰ বাবে অপেক্ষাত থাকি আমনিবোধ হোৱাত বাহিৰলৈ একাপ চাহ পিবলৈ ওলাই আহিলো। চাহ পি থাকোতে প্ৰথম অভিজ্ঞতাৰ সমুখীন হও। এগৰাকী ডেকা যুবক। মই চাহ পি থকা পথৰ কাষৰ হোটেল খনিলৈ আহি ইফালে সিফালে অহা যোৱা কৰি থকা মোৰ চকুত পৰিল। যুবক জনে বাৰে বাৰে গ্ৰাহক সকলে খাই থকা কাগজৰ প্লেটবোৰলৈ চকু দি আছিল। গ্ৰাহক এগৰাকীয়ে খাই থকা ফ্ৰাইড ৰাইছ আধা খিনি খাই এৰি যোৱাৰ লগে লগে উক্ত যুবক জনে হোটেল খনৰ ভিতৰলৈ সন্তৰ্পণে সোমাই আহিল আৰু ততাতয়াকৈ সেই ফ্ৰাইড ৰাইছৰ প্লেট খন লৈ দুই চামুছ মান মুখত দি ক্ষীপ্ৰ গতিত হোটেল খনৰ পৰা ওলাই যিমান সম্ভৱ নিৰাপদ স্থানলৈ গুছি গ'ল। এনে ধৰণৰ ঘটনা মোৰ সমুখত এয়ে প্ৰথম কাৰণে নহয়। আমি অৰ্থনৈতিক ভাবে সবল দেশৰ নাগৰিক, দাৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে চৰকাৰে শ শ আচনি গ্ৰহণ কৰি ৰূপায়ণ কৰি থকাৰ দিনত, সকলোৰে বাবে স্বাস্থ্য শ্লোগানটি প্ৰচাৰ হৈ থকাৰ দিনত এনে এটি ঘটনা কোনো কাৰণতে আমাৰ কাম্য নহয়।

এনেতে আহিল এজাক বৰষুণ। মানে একেবাৰে মুষলধাৰেৰে। দৌৰা দৌৰিকৈ আহি পুনৰ এপ'ল' ক্লিনিকত সোমালো। ৰাতি প্ৰায় ৮-৩০ বজাত বাহিৰলৈ ওলাই আহি হতভম্ব হ'লো। কাৰণ বাইক থোৱা ষ্টেণ্ডটোত তেতিয়ালৈ আঠুৰ ওপৰত পানী। মানে সন্ধ্যাৰ মুষলধাৰ বৰষুণ জাকে সৃষ্টি কৰা কৃত্ৰিম বানপানী। ইতিমধ্যে গম পালো যে গুৱাহাটীৰ বহুতো পথ, উপপথ ইতিমধ্যে কৃত্ৰিম বানপানীত ডুব গৈছে আৰু গুৱাহাটীবাসীৰ যাতায়তত যন্ত্ৰণা



আৰম্ভ হৈছে। ঘৰলৈ উভতি অহাৰ কথা আছিল যদিও বাট পথৰ নিৰাপত্তাৰ কথা চিন্তা কৰি পুণৰ হাতীগাঁৱলৈ যাত্ৰা কৰিলো। গণেশগুৰিৰ পৰা হাতীগাঁৱলৈ যোৱা পথটিত গাড়ী মটৰবোৰে অতি নিম্ন গতিত চলাচল কৰি আছে। এই নিম্ন গতিৰ সুত্ৰ বিচাৰি যেতিয়া পালো তেতিয়া আমি ৰাজধানী মছজিদ পাৰ হৈ গৈ সেই পথটিত হোৱা কৃত্ৰিম বানপানী ফালি গৈ আছো। আমাৰ বাইক খনিৰ বুৰ যাবলৈ মাত্ৰ যাত্ৰী বহা আসন খনহে বাকী থাকিল। ফলশ্ৰুতিত মই আৰু পৰিবাৰ কৰঙণলৈ তিতিব লগা হ'ল। তীব্ৰ সোঁতত বহুতো বাইক আৰোহী তাতে পৰি যোৱা দেখাৰ লগতে কোনো নিউজ চেনেলৰ সাংবাদিকে এককাল পানীত তিতি বুৰি লাইভ সংবাদ পৰিৱেশন কৰি থকা দেখা পালো। তেওঁৰ কৰ্তব্য নিষ্ঠা দেখি প্ৰণাম জনালো অন্তৰৰ পৰা।

পিছ দিনা চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ পাতি কিনি লৈ পুণৰ ফাঁচী বজাৰৰ সমীপৰ জাহাজঘাটত আহি জাহাজত উঠিলো। জাহাজ গৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজাদুৱাৰ ঘাটত লাগিব। জাহাজত চলি থকাৰ মাজতে "এই খনি গাঁও আপোন আপোন, ইয়াতে দেখো নতুন সপোন" শীৰ্ষক গীতটি এগৰাকী অন্ধ মানুহে গাই গাই সহায় ভিক্ষা কৰা দেখা পালো। সহযাত্ৰী কেইগৰাকীৰ লগতে ময়ো চালো। হঠাতে এজন সহযাত্ৰীয়ে লাহেকৈ

*(আঠপৃষ্ঠাত চাওক)*


# হেঙাৰেই কৰে মোৰ মিঠা উপকাৰ

**কবিতা শৰ্মা,দিল্লী**

জীৱন কি? জীৱন কিমান? জন্ম আৰু মৃত্যুৰ মাজৰ এই সময় চোৱা যাক আমি জীৱন বুলি কওঁ মাত্ৰ এটি লঘু ক্ষণ! আমি নে এই সংসাৰলৈ অহাৰ সময় নিৰ্দ্ধাৰণ কৰিব পাৰো, নে যোৱাৰ! নিজৰ বংশ পৰিয়াল বাচি লব পাৰে নে, ভাগ্য! কিন্তু এবাৰ এই জীৱনৰ লগত যুক্ত হোৱাৰ পাছত আমি ইয়াক অন্তহীন বুলি ভাবিবলৈ আৰম্ভ কৰি দিওঁ। য'ত নেকি জীৱনৰ আৰম্ভণিতে জীৱনৰ অন্তও নিশ্চিত হৈ থাকে। ভ্ৰম বশতঃ আমি সকলোৱে এডাল দুডাল কৈ খেৰ কুটা গোটাই ভবিষ্যতৰ সোণালী সপোন সজাওঁ আৰু নিজৰ বস্তুবোৰত "মই-মোৰ" মোহৰ লগোৱা আৰম্ভ কৰি দিওঁ । কিন্তু জীৱনৰ বাট আমি ভবাৰ দৰে সকলো সময়তে মসৃণ নহয় বা আমি আশা কৰাৰ দৰে আমাৰ জীৱন সম্পূৰ্ণ ভাবে সুৰক্ষিতো নহয়। যদিও আমাৰ জীৱনলৈ আহিব ধৰা বিপদৰ আগজাননী জীৱনে আমাক নিদিয়ে, যেনেকৈ নিদিয়ে জীৱন জীয়াৰ দ্বিতীয় অৱকাশ। আমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ সমস্যাই হ'ল-আমি সকলোৱে বিচাৰো এটা সমস্যামুক্ত জীৱন। সেয়েহে যেতিয়াই আমাৰ জীৱনলৈ কোনো সমস্যা আহে আমি উৎকণ্ঠিত হৈ পৰো, মুহূৰ্ততে আমাৰ সজাই তোলা সকলোবোৰ সুন্দৰ সপোন যেন থানবান হৈ পৰে। সুন্দৰ ৰৌদ্ৰোজ্বল আকাশখন হঠাতে কলীয়া মেঘ এজাকে আৱৰি ধৰাৰ দৰে নিৰাশাৰ এন্ধাৰে আমাৰ মনৰ আকাশ খন আৱৰি ধৰে। পৰিস্থিতিৰ সৈতে যুজাঁৰ সকলো সামৰ্থ্য যেন হেৰাই যায়। কিন্তু জীৱনৰ দুখবোৰ জীৱনলৈ অহা কঠিন পৰিস্থিতিবোৰ, জীৱনৰে এটা অংশ। এই পৃথিৱীত এনে কোনো ব্যক্তি নাই যিজনে কেতিয়াও কোনো সমস্যাৰ সন্মুখীন হোৱা নাই, বা সংগ্ৰাম কৰিবলগীয়া হোৱা নাই বা সংগ্ৰাম কৰিও সকলো সময়তে সফল হৈছে। প্ৰকৃততে জীৱনলৈ অহা এই কঠিন পৰিস্থিতিয়ে আমাৰ ধৈৰ্য্য, সাহস আৰু চৰিত্ৰৰ পৰীক্ষা লয় আমাক আত্মনিৰ্ভৰশীল কৰি তোলে। ইংৰাজীত এষাৰ কথা আছে-"There is no gain without pain।" যিজনে জীৱনৰ এনেবোৰ বিপৰীত পৰিস্থিতি সাহসেৰে মুখামুখি হৈ অতিক্ৰম কৰিব পাৰে তেৱেঁই জীৱনত প্ৰকৃত সুখ, শান্তি আৰ পৰিপূৰ্ণতা বিচাৰি পায় ।

এটা কথা আমি কেতিয়াবা ভাবি চাওঁ নে যে দৈনন্দিন সময়ত যেতিয়া আমাৰ জীৱন সহজ গতিত চলি থাকে, বাতৰি কাকত খন বা টিভিৰ ৰিমোট টো হাতত লৈ আনৰ লগত ঘটা ঘটনা- দুৰ্ঘটনা যেনে- দুৰাৰোগ্য ৰোগগ্ৰস্ততা, মৃত্যু, চুৰি-ডকাইটি, হত্যা - লুণ্ঠন, ধৰ্ষণ, অপহৰণ, আত্মহত্যা, এচিদ আক্ৰমণ, নানানটা প্ৰাকৃতিক দুৰ্যোগ- ভূমিকম্প, চুনামী, বানপানী, ভূমিস্খলনত পতিত আদিৰ খবৰ বোৰ পঢ়ি - শুনি ইস্ -আস্ কৰো তেতিয়া জানো এই কথা আমাৰ মনলৈ আহে যে এনে যি কোনো ধৰণৰ ঘটনা যি কোনো সময়ত আমাৰ লগতো ঘটিব পাৰে। তেনে কোনো প্ৰত্যাহ্বান আমাৰ জীৱনলৈ অহাৰ সময়ত আমি যদি পাৰ কৰি অহা জীৱনটোলৈ এবাৰ উভতি চাওঁ তেতিয়া হলে হয়তো দেখা পাম যে তাতকৈও ডাঙৰ প্ৰত্যাহ্বান ইতিমধ্যে পাৰ কৰি আহিয়েই আজি আমি বৰ্তমানৰ সময়ত উপস্থিত হৈছো।

এই কথা আমি সদায় মনত ৰখা উচিত যে সকলো সমস্যাৰে সমাধান আছে, মাত্ৰ আমি বুজি পাব লাগিব আমাৰ হাতলৈ অহা সেই সুযোগ বোৰৰ বিষয়ে। যাতে জীৱনৰ বিপৰীত পৰিস্থিতিৰ উদ্বেগপূৰ্ণ মুহূৰ্তবোৰত




বিতত হৈ আমি এনে কোনো ভুল সিদ্ধান্ত লৈ নেপেলাওঁ, যিবোৰ সিদ্ধান্তই আমাৰ জীৱনত বিৰূপ প্ৰভাব পেলাব পাৰে। সেইকাৰণে যি কোনো সিদ্ধান্ত লোৱাৰ আগতে আমি সম্ভাব্য - অসম্ভাব্য, ভাল - বেয়া সকলো দিশ ভালকৈ চালিজাৰি চোৱাৰ অতি প্ৰয়োজন।

সময় আটাইতকৈ সত্য আৰু শক্তিশালী, কিন্তু সময় কেতিয়াও নিখুঁত হব নোৱাৰে। সময়ক নিখুঁত আমিয়েই কৰি লব লাগিব আৰু যিজনে তেনে কৰিব পাৰে তেওঁলোকেহে সদায় হাঁহিমুখে সময়ৰ সৈতে আগবাঢ়ি যাব পাৰে। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ জীৱনৰ পৰিবৰ্তনো নিশ্চিত। আচলতে জীৱন যেন সঙ্গীতৰ এক ছন্দ ... জন্ম- মৃত্যু, দিন-ৰাতি, সুখ-দুখ, হাঁহি-কান্দোন, মিলন-বিচ্ছেদ, সফলতা অসফলতা... সমুদ্ৰৰ ঢৌৰ উত্থান- পতনৰ দৰে এটা আছে বাবেই আনটোৰ সাৰ্থকতা! ঠিক তেনেকৈয়ে মানুহৰ জীৱনতো প্ৰতিবন্ধকতা থকাৰ প্ৰয়োজন। অনায়াসে পোৱা সফলতা মূল্যহীন হৈ পৰে আৰু তেনে সফলতা উপভোগ কৰা নাযায়। সফলতাৰ গল্পত মাত্ৰ এটা বাৰ্তা থাকে, কিন্তু ব্যৰ্থতাৰ গল্পত সফল হোৱাৰ অনেক উপায় থাকে। সূৰ্য্যৰ দৰে উজ্জ্বল হবলৈ হলে সূৰ্য্যৰ দৰে জ্বলিবও শিকিব লাগিব যিকোনো মহান আৰু সফল ব্যক্তিৰ জীৱনৰ সংঘৰ্ষলৈ যদি মন কৰো দেখা যাই যে সফলতা প্ৰাপ্তিৰ বাবে তেওঁলোকে কিমান কঠোৰ সংঘৰ্ষ কৰিব লগীয়া হৈছিল।

জীৱন যিমানেই প্ৰত্যাহ্বান পূৰ্ণ নহওক কিয়, কিন্তু

*(আঠপৃষ্ঠাত চাওক)*



**JANASANYOG- 2132/22**

অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

এতিয়াৰ পৰা আপোনাৰ সম্পত্তি কৰ আপোনাৰ ঘৰৰ পৰাই যিকোনো সময়ত যিকোনো স্থানৰ পৰা সহজতে পৰিশোধ কৰক।

অসম চৰকাৰৰ গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ

# 'সহজলভ্য সম্পত্তি কৰ পৰিশোধ'ৰ অধীনত এক পদক্ষেপ

http://propertytaxassam.in প'ৰ্টেলত প্ৰৱেশ কৰক অথবা প্লেষ্টোৰৰ পৰা মোবাইল এপ ডাউনলোড কৰক → আপোনাৰ বুনিয়াদি তথ্যৰ সৈতে এটা একাউণ্ট পঞ্জীয়ন কৰক → সম্পত্তি কৰৰ মূল্যায়ন বাছনি কৰক → আপোনাৰ তথ্য আপডেট কৰক আৰু ইউনিক আই ডি নম্বৰ লাভ কৰক

## সম্পত্তিৰ মূল্যাংকন আৰু পুনঃ মূল্যাংকন কি?

ই এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা মোবাইল এপ অথবা ৱেব পাৰ্টেলৰ জৰিয়তে আপুনি ব্যৱহাৰ কৰি থকা মহলাৰ সম্পূৰ্ণ ক্ষেত্ৰৰ সৈতে আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰিব পাৰি।

## কোনে এই প্ৰক্ৰিয়া কৰিব লাগে?

জি এম চিৰ বাহিৰে অসমৰ যিকোনো জিলাৰ পৌৰসভা এলেকাৰ সম্পত্তি থকা যিকোনো ব্যক্তি।

## কেনেকৈ পূৰণি কৰ পৰিশোধ কৰিব

- অনলাইন পৰিশোধ প্ৰক্ৰিয়াৰ জৰিয়তে আপোনাৰ বকেয়া কৰ পৰিশোধ কৰিব পাৰিব।
- আপোনাৰ পুৰণি সম্পত্তি আৰু পৰিশোধৰ বাবে মাত্ৰ তিনিটা প্ৰক্ৰিয়া
  - এপ ডাউনল'ড কৰক অথবা পৰ্টেলত প্ৰৱেশ কৰক
  - সম্পত্তি কৰ পৰিশোধ নিৰ্বাচন কৰক
  - আপোনাৰ পুৰণি হ'ল্ডিং নম্বৰ দিয়ক
  - বাকী থকা বিল পৰিশোধ কৰক




## উপকাৰিতা

- পাঁচ মিনিটতে আপোনাৰ হ'ল্ডিং নম্বৰ লাভ কৰক।
- ঘৰৰ পৰাই আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰক।
- অন লাইনযোগে যিকোনো স্থানৰ পৰা যিকোনো সময়ত কৰ আদায় দিয়ক।

এপ ডাউনলোডৰ বাবে propertytaxassam.in ৱেবছাইটত প্ৰৱেশ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# বাটৰ কথাৰে

**দেৱ প্ৰসাদ বৰা,গোলাঘাট**



কিয় জানো অহাৰ বাটেৰে উভতি যাবৰ মন,
ৰুদ্ধ আজি সকলো বাট উভতাৰো নাই ক্ষণ।
পদুলিতে বাটধৰি মই বহুদুৰ আগুৱালো,
মনটোৰে ঘুৰি চাই কি এৰি কিনো পালোঁ।
উখৰা মোখৰা বাটৰ উজুটিবোৰৰ কথা,
আজি ধুলিয়ৰি কাইলৈ আঁঠুৰণীয়া বোকা।
ভগাদলং ছিগা বাট চুলিদালহেন সাঁকো,
হেলাৰঙে বাটকুৰি বালো নাই ভয়ভীত একো।
সেইয়াও আছিল সুখৰ দিনৰ মধুৰ গাঁথা,
মনত পৰিলে আজি নালাগে অকনো বেথা।
ভাগৰুৱা বাটৰুৱাৰ জিৰণীয়া বৰগছ জোপা,
ধুমুহাতো নুঘলিল নাই আজি চিনচাব এটা।
তুমি-মই চিনাকি-অচিনাকি বাট বুলো একেলগে,
মই যদি থমকিছোঁ তেওঁলোক আগবাঢ়ে ।
বাট এৰি আওবাটে যায় যদি কোনোলোক,
বাটতে হেৰাই গ'লে নকৰে কোনোৱে শোক।
বাটৰ পোখা গজে বাটে পোৱালি মেলে,
অচিনাকি বাটেৰে বাটৰুৱাই নিজৰ বাটধৰে।
সোঁওফালে মোৰ পাৰ হৈ যায় অচিন পথিক,
নেলাগে বাট-কেঁৰা তেওঁলোকৰ বাটো সঠিক।
যিমানে মসৃণ বাট আজি সুচল হ'ল,
সিমানেই পিছল বাট খোপনিহে ন'ৰল।
খোপনি লৰাতকৈ উজুটি খোৱাও ভাল,
বাট হেৰুওৱাতকৈ উভতি যোৱাই ভাল।
সহজ বাটত পথিকৰ ভিৰ বাঢ়িল,
ভিৰৰ মাজত আজি সহযাত্ৰী কমিল।
উৰুঙা বাটৰো সুৰুঙা পাবলৈ টান,
ভিৰৰ মাজেৰে বাৰু কেনেকৈ উভতি যাম।
বাটত বাট হেৰাই নে বাটতে হেৰাই বাটৰুৱা,
বাটে বাটে আহি আছোঁ সমিধান নাইপোৱা।
বাটত বাট বুলিবলৈ আৰুনো কিমান বাকী,
নেহেৰাওঁ বুলি ভাবো কেনেকৈ কওঁনো ডাঠি ।।

# বিলুপ্তিৰ পথত নদীয়া

**দীপাঞ্জলি শৰ্মা বৰুৱা**

বৰ্তমান সময়ত পূৰ্বতে ব্যৱহাৰ হোৱা কিছুমান সামগ্ৰীৰ ব্যৱহাৰ কমি আহিব ধৰিছে। আধুনিকতাৰ ধামখুমীয়াতে এনে হোৱা বুলিও আমি ধৰিব পাৰোঁ। তেনে এবিধ অতীতৰ প্ৰয়োজনীয় সামগ্ৰী হ'ল নদীয়া। ইয়াক মাটিৰে তৈয়াৰ কৰা হয়। দেখাত এটা চৰিয়াৰ দৰে। মা-খুৰাহঁতৰ মুখত শুনিছোঁ কাঠেৰেও নদীয়া তৈয়াৰ কৰা হয়। সৰুতে আমাৰ ঘৰত থকা নদীয়াটো সত্যনাৰায়ণ পূজাত ঘোল বনাওঁতে ব্যৱহাৰ কৰা দেখিছিলোঁ। উল্লেখযোগ্য যে এই ঘোল কল, দৈ, এৰা, গুৰ, চেনি, মৌ, ঘিউ দি বনোৱা হয়। ইয়াক সত্যনাৰায়ণৰ মূল প্ৰসাদ বুলি ধৰা হয়। বৰ্তমান নিত্য ব্যৱহাৰ্য সামগ্ৰীসমূহত ষ্টিল আৰু প্লাষ্টিক বাচন-বৰ্তনৰ ব্যাপক প্ৰয়োগৰ ফলত অতীতৰ সামগ্ৰীসমূহ অনাদৃত হৈ লুপ্ত হ'ল। বৰ্তমান ব্যৱহাৰ কমি অহা তেনে দুপদমান দ্ৰব্য হ'ল কৰিয়া, ঘটি, লোটা, বেৰা কাঁহি, কৰণি আদি ।এনে দ্ৰব্যসমূহ এটা সময়ত অভিধানৰ পাততহে বিচাৰি পোৱা যাব যেন লাগে।

# বৰষুণ, বানপানী আৰু গুৱাহাটী

কৈ উঠিল " অন্ধ নহয় কিজানি" মানে মানুহ গৰাকীয়ে ভাও ধৰিছে। মোৰ হৃদয়খনে হাহাকাৰ কৰি উঠিল। মানুহে বাৰু দিনৰ পোহৰত দেখা দেখিকৈ এনেকৈ ভাও ধৰিব পাৰিবনে? মই লাহেকৈ মানি বেগটিৰ পৰা সামৰ্থৰ ভিতৰত থাকি গীত গাই থকা অন্ধ মানুহজনক সাহায্য আগবঢ়ালো। আচৰিত হ'লো মানুহৰ মানবতাবোধ দেখি।

মোৰ গুৱাহাটীৰ সম্পৰ্কত শেষ অকৃত্ৰিম অনুভবটি হ'ল প্ৰকৃততে আমাৰ সপোনৰ গুৱাহাটী খন এতিয়া পাবলৈ বৰ কঠিন হৈ গৈছে। আমাৰ কল্পনাৰ গুৱাহাটীখন ৰ'দ আৰু ফৰকাল বতৰতহে পাব পাৰি বোধহয়। বাৰিষা বতৰৰ বৰষুণ নাইবা আবতৰীয়া বৰষুণ হওক, এজাক মুষলধাৰ বৰষুণত এতিয়া গুৱাহাটীৰ বহুতো ঠায়েই সাগৰলৈ ৰূপান্তৰিত হৈ যায়। বিগত বৰ্ষবোৰত ইতিমধ্যে বানৰ কবলত পৰিয়েই হওক নাইবা ফুটপাথৰ ড্ৰেইনত তললৈ পৰিয়েই হওক বহুত মানুহে অকাল মৃত্যুক সাবতি ল'ব লগা হৈছে। মই নিজেও এবাৰ হেঙেৰাবাৰী অঞ্চলৰ লিছু বাগান এলেকাৰ ফুটপাথৰ ড্ৰেইনৰ তললৈ সৰকি পৰিছিলো আৰু আঘাটো পাইছিলো। পিছে যেনিবা ডিচেম্বৰ মাহ আছিল কাৰণে বাচি গ'লো। বাৰিষাৰ বতৰ হ'লে কি হ'লহেতেন সেয়া অকল্পনীয়। এতিয়া কথা হৈছে গুৱাহাটীত পৌৰ নিগম আছে। অসম চৰকাৰত গুৱাহাটী মহানগৰ উন্নয়ণ নামৰ বিভাগ এটি আছে। উন্নয়ণ নোহোৱা নহয়, হৈছে। বহুতো অভাৱগ্ৰীজ হৈছে ইত্যাদি ইত্যাদি। পিছে এজাক বৰষুণতেই মহানগৰখনিক মহাসাগৰলৈ ৰূপান্তৰকৰণত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা গুৱাহাটী মহানগৰীৰ ৰাস্তাবোৰৰ দুয়োকাষে থকা ড্ৰেইনবোৰৰ ক্ষেত্ৰত গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ণ বিভাগে কিয় আজিলৈ বিজ্ঞান সন্মত ব্যৱস্থা গ্ৰহণ কৰা নাই সেয়া আশ্চৰ্যকৰ বিষয় হৈ পৰিছে। ড্ৰেইনবোৰ পৰিষ্কাৰ কৰিবলৈ পৌৰ নিগমে ক্ৰয় কৰি অনা লাখ টকীয়া বাহনবোৰ হেনো এতিয়া ভালুকৰ সাঙীলৈ ৰূপান্তৰ হৈছে সেয়া কাকতে পত্ৰেই সবিস্তাৰে প্ৰকাশ পাইছিল। নিশ্চয় এই দুয়োটা বিভাগৰ দ্বাৰা ৰূপায়িত আচনিবোৰ বিজ্ঞান সন্মত নহয় বৰঞ্চ কাৰোবাৰ খীৰতি গাই স্বৰূপ হৈ পৰিছে সেয়া ধ্ৰুব সত্য কথা।

লাহে লাহে গুৱাহাটী বাসীৰ মনত এনে এটি ধাৰণা হয়তো গঢ় ল'বলৈ আৰম্ভ কৰিছে যে গুৱাহাটীত বতৰ অবতৰৰ কথা নাই, যিদিনাই যেতিয়াই গুৱাহাটীত বৰষুণ হ'ব সিদিনাই তেতিয়াই গুৱাহাটীত বানত হাহাকাৰ হ'ব গুৱাহাটীবাসীৰ। অভাৱগ্ৰীজ যি কাৰণে অতি প্ৰয়োজন সেই দৰে একে সমানেই প্ৰয়োজন গুৱাহাটীৰ ৰাস্তাৰ দুয়োকাষে থকা ড্ৰেইনবোৰৰ পানী নিষ্কাশণ ব্যৱস্থাৰ আধুনিকীকৰণ কৰাৰ। এই ক্ষেত্ৰত অসম চৰকাৰৰ গুৱাহাটী মহানগৰ উন্নয়ণ বিভাগ আৰু গুৱাহাটী পৌৰ নিগমে গুৱাহাটী মহানগৰবাসীৰ হিতাৰ্থে তাৎকালীন ভাৱে কাৰ্য ব্যৱস্থা হাতত ল'লে এনে নেতিবাচক দিশবোৰ সমাধান হ'ব বুলি আশা কৰিব পাৰি।

সাহিত্যৰথী লক্ষ্মী- নাথ বেজবৰুৱা দেৱে তেখেতৰ আত্ম জীৱনী "মোৰ জীৱন সোঁৱৰণ" নামৰ গ্ৰন্থ খনিত সন্নিবিষ্ট "মোৰ মাতৃমুখ দৰ্শন" নামৰ অধ্যায়টিত লিখিছিল আৰু অনেক কাৰণত গুৱাহাটীক মোৰ ভাল লাগে। তাৰে গোটাদিয়েক হৈছে এই -(১) প্ৰাকৃতিক সৌন্দৰ্য, (২) ঐতিহাসিক উৎকৰ্ষ, (৩) প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা। অসমীয়াৰ জীৱন-বেদৰ পাত এইবোৰে প্ৰথমতে গুৱাহাটীতেই মুকলি কৰি দেখুৱায়। কালৰ পীঞ্জনত আজিৰ অসম জীৰ্ণ-শীৰ্ণ-দীৰ্ণ। তথাপি গুৱাহাটীৰ বুকুত সেইবোৰ অবিলুপ্ত। বিচাৰ্যৰ বিষয় যে সাহিত্যৰথীৰ বাস্তৱ আৰু দৃঢ় বিশ্বাসৰ গুৱাহাটীখন কেতিয়াবাই সলনি যে হৈ গ'ল সেয়া ধ্ৰুৱ সত্য। নহ'লে সু কণ্ঠশিল্পী, জনপ্ৰিয় গায়ক প্ৰয়াত দোস্ত হবিবুৰ ৰহমানৰ "গুৱেটীক আৰু কেথানো নাযাও, গুৱেটীক নমস্কাৰ" ৰ লেখীয়া গুৱাহাটী হ'বলৈ বেছি দিন নালাগিব।

# হেঙাৰেই কৰে মোৰ

এই কথাও সচা যে জীৱন সুন্দৰ.....জীৱনৰ প্ৰতিটো মুহূৰ্ত একো একোটা উৎসৱ সদৃশ। জীৱন যদি গোলাপ ফুলৰ শয্যা হয় তেতিয়া হলে এই কথাও আমি মনত ৰাখিব লাগিব যে ফুলৰ লগত তাৰ কাইটীয়া অংশও থাকে। কাইটবোৰে আমাক শিকনি দিয়ে, কেনেদৰে সফলতা আৰু সুখো কন্টকতাপূৰ্ণ হব পাৰে। কিন্তু তাৰ বাবে নিৰাশ হোৱাৰ ঠাইত এই কথা আমি মনত পেলোৱা উচিত যে জীৱনৰ সুন্দৰতাই এদিন সেই কাইটীয়া পীড়াক নাইকীয়া কৰিব। জাহাজ এখন যেতিয়া গভীৰ পানীলৈ যায়, তেতিয়া ধুমুহাত পৰাৰ আশংকা থাকে কিন্তু ধুমুহাৰ ভয়ত যদি জাহাজখন কিনাৰতে বৈ থাকে, তেতিয়া তাত মামৰে ধৰিব। মামৰে ধৰাৰ কাৰণে জাহাজ খন কেতিয়াও প্ৰস্তুত কৰা নহয়। ঠিক তেনেদৰেই সমুখ সমৰৰ পৰা পলায়ন কৰাৰ বাবে আমাৰ জীৱন নহয়। বৰঞ্চ প্ৰত্যাহ্বানৰ সমুখত সাহসেৰে থিয় দিয়াতহে জীৱনৰ মহানতা। যদি আপুনি পৰাজিত হয় তেতিয়াও আশা নেৰিব কাৰণ সৃষ্টিকৰ্তাইও সেই সকলকহে সহায় কৰে যিসকলে কঠোৰ পৰিশ্ৰম কৰে। নেৰানেপেৰা পৰিশ্ৰমৰ ফলত এদিন নিশ্চয় তেওঁ সফল হবই। জীৱনত প্ৰতিভাশালী আৰু সফল হব লাগিলে আমি প্ৰত্যাহ্বানৰ মুখামুখি হবই লাগিব। ইয়াৰ কোনো বিকল্প নাই।

আমাৰ ছাৰিও ফালে লক্ষ্য কৰিলে দেখা যায় কিছুমান যানুহে যদি সহজে নিজৰ লক্ষ্যত উপনীত হয় আন কিছুমানে বাৰে বাৰে বিফল হয়। দুৰ্ভাগ্যই যেন তেওঁলোকৰ পাছ নেৰে তেনে অনুভৱ হয়। তেতিয়া আমি কি কৰা উচিত? জীৱনৰ ওচৰত নতশিৰ হোৱা? আমি কি পালো বা আমি কি পাব পাৰিলোঁ হয় সেয়া চিন্তা কৰি ঠাইতে বৈ যোৱা। বৈ যোৱাৰ নাম জীৱন নহয়। জীৱনৰ অনন্ততাক অন্তলৈ লৈ যোৱাৰ নামহে জীৱন। যিজনে এই পথ সুসংযমিত আৰু সুব্যৱস্থিত কৰিব পাৰে তেৱেঁই জীৱনত মহান আৰু সফল হব পাৰে। গতিকে জীৱনত হাঁহিমুখেৰে প্ৰত্যাহ্বানৰ সন্মুখীন হওক। সফল হলেও ভৰিখন যাতে মাটিতে থাকে আৰু অসফল হলে ইয়াৰ পৰা জীৱনৰ শিক্ষাতো আমি পালোৱেই।

সৰ্বকালৰ মহান শিল্পী ড° ভূপেন হাজৰিকাদেৱে সেয়েহে তেখেতৰ গীতৰ শাৰীৰে কৈছে---

উড়ন্ত মনে যোৰ নাযানে হেঙাৰ
হেঙাৰেই কৰে মোৰ মিঠা
উপকাৰ
সময়ৰ অগ্ৰগতি পক্ষীৰাজত
উঠি
যাওঁ মই নতুন দিগন্তলৈ
হাঁহিমুখে ...

# অসতো মা সদগময়

জ্যোতিস্মিতা গোস্বামী শৰ্মা



"অসতো মা সদগময়
তমসো মা জ্যোতি গময়
মৃত্যু মাং মৃতং গময়।"

অৰ্থাৎ, অসত্যৰ পৰা মোক সত্যলৈ লৈ যোৱা অন্ধকাৰৰ পৰা জ্যোতি লৈ যোৱা, মৃত্যুৰ পৰা মোক অমৃতলোকলৈ লৈ যোৱা।


প্ৰাৰ্থনা হ'ল ঈশ্বৰৰ সেৱা। যি কোনো পৰিস্থিতিত ঈশ্বৰৰ ইচ্ছানুসৰি তেঁওৰ পৰা সমাধান পোৱা এটা মাধ্যম। প্ৰাৰ্থনাই মনোবল তথা মন স্থিৰ কৰে। গান্ধীজীৰ মতে প্ৰাৰ্থনাই মানুহৰ ভাঙি চুৰমাৰ কৰা মনক নতুন ৰূপ দিয়ে।

আমাৰ মনোযোগ, আত্মবিশ্বাস, উৎসাহ, নিৰাপত্তা, ধৰঞ্জয় তথা মানসিক শক্তি বৃদ্ধিত ও সহায় কৰে। ঈশ্বৰ পৰম কৰুণাময়।

ধ্যান : ধ্যান হ'ল মনৰ ব্যায়াম। অশান্ত মনক শান্ত কৰিবৰলৈ নিয়মিত ধ্যান উত্তম উপায়। ইয়াৰ দ্বাৰা ঈশ্বৰক অনুভৱ কৰিব পাৰি। স্বামী পৰামানন্দৰ মতে যিকোনো কাম কৰাৰ আগতে মনক এটা দিশত সংহত কৰিব লাগে। পতঞ্জলিৰ মতে, "ঈশ্বৰৰ প্ৰতি ভক্তিক স্থায়ী কৰিবলৈ ধ্যানৰ নৈপুণ্যৰ প্ৰয়োজন।" ইয়াৰ দ্বাৰা একাগ্ৰতা বৃদ্ধি, সুপ্ত প্ৰতিভা আৰু শক্তি জাগ্ৰত হয়। আমাৰ মনত অনবৰতে বিভিন্ন চিন্তা প্ৰবাহ হৈ থাকে। তাৰে বেছি ভাগ চিন্তা নকাৰাত্মক। ধ্যান এ মন আৰু হৃদয়ক শান্ত কৰে। পতঞ্জলিত আছে, "আমাৰ মনৰ মাজত সকলো সময়তে যি চিন্তাই অধিকাৰ কৰি থাকে, আমি সেয়ে হও।" সকলো সময়তে পবিত্ৰ চিন্তা কৰিলে পবিত্ৰ চিন্তাৰ অধিকাৰী হয়। শ্ৰীমদ ভাগৱতৰ মতে পোহৰ যেনেকৈ পোহৰত মিলি যায়, জীৱন তেনেকৈ সৰ্বভূতাত্মা ভগৱানত মিলি যায়। গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে যে ধ্যানে শাৰীৰিক, মানসিক দুয়োটাতে প্ৰভাৱ পেলায়। ই মন আৰু শৰীৰৰ পৰিপূৰক ঔষধ।

# মন আৰু মনৰ মানুহ

ববিতা বৰা



চৌপাশে মানুহ। যিফালেই চকু যায় কেৱল মানুহ। তথাপি মনত কিবা এটাৰ অভাৱ। মনত মনৰ মানুহৰ অভাৱ।এই অভাৱে মনত আঘাত কৰে, নীৰৱ ৰাতি আপোনাক কন্দুৱাই যি ক্ৰন্দ আপুনি চেপি ধৰি ৰাখে গাৰুৰ মাজত যাতে আপোনাৰ চকুপানী নেদেখক কোনেও, নুশুনক কোনো নিদ্ৰাখোৰে..।

কেতিয়াবা কাৰোবাৰ সংগ ভাল লাগে আপোনাৰ। অথচ সেই মানুহজন আপোনাৰ মনৰ মানুহ নহ'বও পাৰে।

কাৰোবাৰ ব্যক্তিত্বই আপোনাক আকৰ্ষণ কৰে অথচ মনৰ মানুহ বুলিবলৈ তেওঁ বহু দূৰত। কাৰোবাৰ সুন্দৰতা, বাহ্যিকতা, কথা-বাৰ্তাই এজন ব্যক্তিক আপোনাৰ মনৰ মানুহ কৰি পেলাব নোৱাৰে। মনৰ মানুহ হ'বলৈ হ'লে কোনো এজন হ'ব লাগিব সৰ্বাংগীন সুন্দৰ। এই সুন্দৰতা মনৰ কিম্বা আত্মাৰ। মুখায়ৱৰ সৌন্দৰ্য্যৰ কথা নকওঁ। কাৰণ যি ব্যক্তিক আপুনি প্ৰেম কৰে, সেই ব্যক্তি সদায়েই আপোনাৰ দৃষ্টিত সুন্দৰ। এনে ব্যক্তি, যাৰ সৈতে আপুনি সুখ-দুখৰ কথা পাতিব পাৰে, আত্মিক শান্তি পাব পাৰে, মানসিক প্ৰশান্তি লভিব পাৰে বা যাৰ সন্মুখত আপোনাৰ কাপোৰৰ ওৰলি যোৱা চিলনিটো ধাকিব লগা নহয়, মুখৰ শালমনবোৰ ঢাকিব লগা নহয় বা আপোনাক কৃত্ৰিম ভাৱে সজাব লগা নহয়, যি আপোনাৰ প্ৰতিটো সমস্যাৰ সমাধান, যি আপোনাৰ অৰ্ধাংশ যাৰ অবিহনে আপুনি আধৰুৱা আৰু যাক লাভ কৰি আপুনি কোনোদিন আত্মাৰ অভাৱত ভুগা নাই.. সেইজন হৈছে আপোনাৰ মনৰ মানুহ। বহুত টান। এনে এজন মনৰ মানুহক পাবলৈ বহু টান। কাৰোবাক কিছুমান নিৰ্দিষ্ট কাৰণত ভাল লাগিব পাৰে কিন্তু সময়ত যেতিয়া দূৰত্ব বাঢ়ি যায় বা ক্ৰমাৎ সেই ভাললগাবোৰ বিষয়বোৰৰ পৰা আঁতৰি অহা হয়..কমি যায় সেই ব্যক্তিজনৰ প্ৰতি থকা আপোনাৰ এসময়ৰ ভাললগাবোৰ। ব্যক্তিৰ মাজত আমি সদায় আমি বিচৰাবোৰ খুচৰি ফুৰো। আমাৰ ভাল লগাবোৰ বিচাৰি ফুৰো। আনজনে ইয়াৰে সুযোগ লয়। আপুনি যিখিনি বিচাৰে, সেইখিনি আপোনাক তেওঁ দেখুৱায়। অন্যৰ্থত আপুনি এজন ব্যক্তিৰ মাজত সেইখিনিহে দেখা পাই যিখিনি তেওঁ আপোনাক দেখুৱাবলৈ ইচ্ছা কৰে। ই এক প্ৰকাৰৰ অভিনয়ও হ'ব পাৰে বা আপোনাৰ পৰা স্বাৰ্থ আদায় কৰাৰ ষড়যন্ত্ৰও হ'ব পাৰে। সেইবাবেই লুক-ঢাক নকৰি সচাঁ কথা কোৱা ব্যক্তিবোৰ আপোনাৰ অপ্ৰিয়। কাৰণ আপুনি মিছাৰ মাজত জীয়াই থাকি ভাল পাই। সত্যৰ লগত মোকাবিলা কৰিবলৈ আপোনাৰ শক্তি আৰু সাহস নাই। যি ব্যক্তিয়ে সহজে মিছা কথা ক'ব পাৰে, যি মানুহক মিছা প্ৰশংসাৰ প্ৰলোভন দি আপোনাক ওপৰত উঠাব জানে, সেই বুদ্ধিয়ক ব্যক্তিৰ বন্ধু বেছি, সমাজে ভাল পাই তেনে লোকক। অথচ সচাঁ কথা কোৱাজন সদায় বৈ যায় অকলসৰে, পিছত। ভালপোৱাত অভিনয় নাথাকে। বহু সময়ত আমি এই অভিনয়ত ভুল গৈ এনে কিছুমান ব্যক্তিৰ প্ৰেমত পৰো যি যোগ্যই নহয় আপোনাৰ! মোৰ প্ৰেমৰ। বাস্তৱ জনালৈকে বহু দেৰি হৈ যায়। আপুনি অভ্যস্ত হৈ যায়। কেতিয়াবা ওলাই আহে এনে মানুহৰ বন্ধনৰ পৰা আৰু কেতিয়াবা বৈ যায় একে ঠাইতে..বিশ্বাসবোৰ কমি আহে মানুহলৈ। আপুনি প্ৰেক্টিকেল হয়, নিজকে বুজানি দিব জনাকৈ আপুনি পৈণত হয়। আপুনি মানি চলে, 'প্ৰেমটো অন্ধ নহয় কোনোদিন..অন্ধ কেৱল প্ৰেমিক প্ৰেমিকা বোৰ।'

সময় আগবাঢ়ে। নীৰৱ নিশা আপোনাৰ ক্ৰন্দ ক্ৰমাৎ কমি আহে। ঈশ্বৰৰ প্ৰতি থকা বিশ্বাসে আপোনাক জীয়াই ৰাখে, সুখত ৰাখে। তথাপি, অন্তৰৰ কোনোবা কোণত কিবা এটাৰ অভাৱে আপোনাক মানুহৰ সমাগমৰ মাজতো কেতিয়াবা বৰ বেয়াকৈ অকলশৰীয়া কৰে। নহয়নে?

# পুজণীয় মা দেউতা



জন্ম হৈছিলো মই
দুহেজাৰ ন চনৰ এঘাৰ অক্টোবৰত।
মা দেউতা ককা আইতাৰ
চেনেহৰ কোলাত
এদিন দুদিনকৈ ডাঙৰ হলো।
আধা ফুটা মাতেৰে হাঁহি বিৰিঙালো।
এখোজ দুখোজকৈ খোজ পেলালো ।
মাৰ হাতত ধৰি পঢ়াশালি লৈ গ'লো।
ছাৰ বাইদেউ মৰম বোৰ
আকোঁৱালি ললো।
মায়ে শিকোৱা প্ৰথম আখৰ
অ, আ, ক, খ মাতিলো।
মা দেউতা পুজণীয় অতি মৰমৰ
তেওঁলোকৰ কথাবোৰ
অতি গুৰুত্বৰ।
জন্ম দিয়া মা দেউতা ৰ
আশা পুৰণ কৰিম
তেতিয়াহে মা দেউতা ৰ
ধাৰ সুজিব পাৰিম।
মা দেউতাই ভগৱান কৰিম শ্ৰদ্ধা
তেতিয়াহে জীৱন বাটত
আগুৱাই যাব পাৰিম।।

বিষ্ণুপ্ৰিয়া বৰা
চৰকাৰী অভ্যসন উচ্চ বুনিয়াদী বিদ্যালয়,
তিতাবৰ সপ্তম শ্ৰেণী

# জীৱন জীনাৰ গান

অৰূপা নাথ, গোলাঘাট



সময় আৰু অভিজ্ঞতাৰ
কষটি শিলত গঢ়া জীৱন।
ধুমুহাই তচনছ কৰিব নোৱাৰে।
প্ৰতাৰণাতো বিচলিত নহয়।
জীৱনক ভালপোৱা জনে
প্ৰত্যাহ্বান নেওচি
ঘোষনা কৰে নিজৰ অস্তিত্ব।
সেয়ে বন্ধু,
তোমাৰ হৃদয়ত বাজি ৰওক
জীৱন জিনাৰ সুৰ
হতাশ নহবা,
ধুমুহাৰ ৰাতি শালগছ জোপালৈ চোৱা।
জীৱনৰ অৰ্থ কি
বৃদ্ধ চাণ্টিয়াগক সোধা।
হাৰিছো বুলি ভাবিলে
বিশ্বাসৰ হাতখন খামুচি ধৰিবা ।
আকৌ এবাৰ কবা,
জীৱন জীৱন বৰ অনুপম
বন্ধু, প্ৰবল ইচ্ছাশক্তিৰে গাবা জীৱন জিনাৰ গান।

# শিশুৰ পুষ্টিহীনতা আৰু ইয়াৰ প্ৰতিৰোধৰ উপায়

ডাঃ বিজিতা চুতীয়া, বি.এ. এম.এচ., এম.ডি.(আয়ুৰ),আয়ুৰ্বেদিক বিশেষজ্ঞা



আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। আজিৰ শিশুৰ হাততেই আমাৰ দেশখনৰ ভৱিষ্যৎ। গতিকে মহান সম্পদস্বৰূপ শিশুসকলক উপযুক্ত ৰূপত গঢ় দিয়াটো আমাৰ সকলোৰে দায়িত্ব। কেঁচা বাঁহ এটুকুৰা যেনেকৈ বিভিন্ন দিশত ভাঁজ কৰি গঢ় দিব পাৰি, তেনেকৈ শিশুসকলৰ স্বাস্থ্য, বৃদ্ধি আৰু বিকাশ এই সময়ছোৱাতে গঢ় লয়। গতিকে শৈশৱৰে পৰা শিশুসকলৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়। 'মেডিয়া ভিজন' (Media Vision) নামৰ এটি প্ৰতিষ্ঠানৰ মতে ভাৰতবৰ্ষত ৯০ শতাংশ স্কুলীয়া শিশুৱেই পুষ্টিহীনতাত ভোগে। পুষ্টিহীনতাৰ ফলস্বৰূপে কিছুমান শিশুৰ ওজন বহুত কম হয়। আনহাতে জাংক ফুড, ফাষ্ট ফুড ইত্যাদি অত্যধিক পৰিমাণে সেৱনৰ ফলত মেদবহুলতাৰ দৰে সমস্যাই দেখা দিয়ে। পুষ্টিহীনতাৰ ফলত ভৱিষ্যতে Degenerative disease হোৱাৰ আশংকা বৃদ্ধি পায়।

**শিশুৰ পুষ্টিহীনতাৰ কাৰণ ঃ**

(১) পুষ্টিকৰ সুষম আহাৰ সেৱন নকৰা।

(২) জাংক ফুড বা ফাষ্ট ফুডৰ প্ৰতি অধিক আগ্ৰহ।

(৩) অপুষ্টিকৰ তথা মুখৰোচক খাদ্যৰ অধিক পৰিমাণে সেৱন।

(৪) পুৱাৰ আহাৰ ভালদৰে সেৱন নকৰা ইত্যাদি।

**পুষ্টিহীনতাৰ প্ৰতিৰোধ ঃ** পুষ্টিহীনতাৰ পৰা হাত সাৰিবলৈ তলত উল্লেখ কৰা অভ্যাসসমূহ মানি চলিব লাগিব-

(১) সুষম পুষ্টিকৰ খাদ্য সেৱন : পুষ্টিহীনতাত ভুগিবলৈ শিশুটিক সুষম পুষ্টিকৰ খাদ্য খুৱাব লাগে। শিশুৰ বাবে প্ৰয়োজনীয় কেইটিমান বিশেষ খাদ্য উপাদান হৈছে- প্ৰ'টিন, খনিজ লৱণ, আইন, ভিটামিন-বি, ভিটামিন-চি ইত্যাদি।

(ক) প্ৰ'টিন ঃ শিশুসকলক প্ৰ'টিনৰ মাত্ৰা প্ৰাপ্তবয়স্ক লোকতকৈ বেছিকৈ প্ৰয়োজন। কাৰণ এইটো সময়তে শিশুৰ বৃদ্ধি আৰু বিকাশ দ্ৰুতগতিত হ'বলৈ লয়। শিশুসকলক প্ৰতিদিনে শৰীৰৰ প্ৰতিকেজি ওজনৰ বিপৰীতে ১.৫ গ্ৰাম পৰিমাণত প্ৰ'টিনৰ দৰকাৰ হয়।

(খ)খনিজ লৱণ : বিভিন্ন ধৰণৰ খনিজ লৱণ যেনে- কেলছিয়াম, মেগনেছিয়াম, আইৰন আদি শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে অতি প্ৰয়োজনীয় উপাদান। শিশুসকলৰ হাড় আৰু পেশী মজবুত কৰি তুলিবলৈ কেলছিয়াম আৰু মেগনেছিয়ামযুক্ত আহাৰ সঠিক মাত্ৰাত যোগান ধৰা উচিত। খাদ্যত কেলছিয়াম আৰু মেগনেছিয়ামৰ অভাৱৰ ফলত ভৱিষ্যতে হাড় দুৰ্বল আৰু ঠুনুকা হৈ পৰে যাক অষ্টিঅ'পৰ'ছিছ (Osteoporosis) বুলি কোৱা হয়। অষ্টিঅ'পৰ'ছিছ হ'লে সামান্য আঘাততে কাহ বা হাঁচি মাৰিলেও হাড় ভাগি যাব পাৰে। সেয়েহে শৈশৱৰ পৰাই কেলছিয়াম, মেগনেছিয়ামযুক্ত খাদ্য যেনে- গাখীৰ, সেউজীয়া শাক-পাচলি, কাজু, বাদাম, শুকান ফল, দুগ্ধজাত খাদ্য, কণী, মাছ ইত্যাদি খাব লাগে।

আইৰনে আমাৰ শৰীৰত হিম'গ্লবিন গঠনত ভাগ লয়। আইৰনৰ অভাৱত আমাৰ তেজত হিম'গ্লবিনৰ পৰিমাণ কমি যোৱাৰ ফলত এনিমিয়া বা ৰক্তহীনতাৰ সৃষ্টি হয়। ৰক্তহীনতাৰ ফলত শিশুৰ বয়স অনুপাতে বৃদ্ধি নহয়। শৰীৰ শেঁতা পৰি যায়, ভাগৰ অনুভৱ কৰে, পঢ়াশুনাত অমনোযোগী হয়। মুঠতে ক'ব পাৰি যে ৰক্তহীনতা শিশু এটিৰ সকলো ধৰণৰ ৰোগৰ প্ৰধান কাৰণ। সেয়েহে শিশুসকলৰ শৰীৰত আইৰনৰ মাত্ৰা ঠিকে থকা উচিত। সেউজীয়া শাক-পাচলি যেনে- কলডিল, কঁাচকল, বীট, মৰিচা শাক, পালেং শাক ইত্যাদি তথা বিভিন্ন ধৰণৰ ফলমূল যেনে- ডালিম, খেজুৰ, খিচমিচ ইত্যাদিত যথেষ্ট পৰিমাণে আইন থাকে। শিশুটিক এইবোৰ খাদ্য খাবলৈ দিলে ৰক্তহীনতা দূৰ হয়। ইয়াৰ উপৰি স্কুলীয়া শিশু আৰু কিশোৰ-কিশোৰীসকলক সপ্তাহত এটাকৈ আইৰন ফলিক এচিড পৰিপূৰক (IFA- Supplement) দিয়া উচিত।

(গ) ভিটামিন : ভিটামিন-চি বা এচকৰবিক এচিডে আমাৰ শৰীৰত সঠিকভাৱে আইৰনৰ শোষণ হোৱাত সহায় কৰে। চাইট্ৰাছ বা টেঙাজাতীয় ফল, কমলা, আঙুৰ, মধুৰিআম, অমিতা, আনাৰস, আম, বিলাহী, আমলখি, নেমু, তৰমুজ, ফুলকবি ইত্যাদিত ভিটামিন-চি পোৱা যায়। ভিটামিন-চিয়ে ক'লাজেন নামৰ আঁহ গঠনত সহায় কৰে। যাৰ ফলত দাঁত, দাঁতৰ আলু, হাড়, কাৰ্টিলেজ আদি সবল হয়। ভিটামিন-বি১২যুক্ত খাদ্যৰ অভাৱত মেগাল'ব্লাষ্টিক এনিমিয়াৰ সৃষ্টি হয়। সেয়েহে পৰ্যাপ্ত পৰিমাণে ভিটামিন-বি১২ যুক্ত খাদ্য যেনে- মাংস, গাখীৰ, দুগ্ধজাত খাদ্য, ছ'য়াবীন ইত্যাদি গ্ৰহণ কৰা উচিত। ওপৰত উল্লেখ কৰা সুষম পুষ্টিকৰ খাদ্যসমূহৰ উপৰি শিশুৰ সুস্বাস্থ্যৰ বাবে আন আন ভিটামিন আৰু খনিজ দ্ৰব্যৰ প্ৰয়োজন। ইয়াৰ উপৰি উপযুক্ত পৰিমাণে বিশুদ্ধ পানী সেৱন কৰা অতি জৰুৰী। শিশুসকল অতি সহজতে পেলুৰ সংক্ৰমণত ভোগে। সেয়েহে পেলুৰ সংক্ৰমণৰ পৰা আঁতৰি থাকিবলৈ শিশুক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভ্যাস শিকোৱা উচিত। খাদ্য খোৱাৰ আগতে হাত-মুখ পৰিষ্কাৰকৈ চাবোনেৰে ধুই ল'ব লাগে। নিয়মিতভাৱে নখ-চুলি কাটিব লাগে। খালী ভৰিৰে লেতেৰা ঠাই বা শৌচাগাৰলৈ যাব নালাগে। শৌচাগাৰৰ পৰা আহি হাত চাবোনেৰে ভালকৈ ধুব লাগে। পেলুৰ সংক্ৰমণ ৰোধ কৰিবলৈ ছমাহৰ মূৰে মূৰে পেলুৰ দৰব খোৱা উচিত। শিশুসকলৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য অটুট ৰাখিবলৈ দৈনিক প্ৰাণায়াম আৰু সহজ যোগাভ্যাস কৰিবলৈ দিয়া উচিত। ছাত্ৰ-ছাত্ৰীসকলে নিয়মিত যোগাভ্যাস কৰিলে সুন্দৰ স্বাস্থ্যৰ গৰাকী হোৱাৰ উপৰি বৌদ্ধিক বিকাশ, স্মৃতিশক্তি, ধৈৰ্য্যশক্তি আৰু সুচৰিত্ৰৰ অধিকাৰী হৈ উঠিব। গতিকে শিশুসকলে সুষম আহাৰ গ্ৰহণ, নিয়মিত যোগাভ্যাস কৰাৰ লগতে স্বাস্থ্য ৰক্ষাৰ অন্যান্য নিয়মসমূহ মানি চলা উচিত। তেতিয়াহে পৰৱৰ্তী পৰ্যায়ত সুন্দৰ-সুঠাম শৰীৰৰ অধিকাৰী হোৱাৰ লগতে উন্নত শিক্ষা আৰু ভাল ফলাফলেৰে সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।

# মধ্যযুগীয় সাহিত্য

পুলিন ডেকা



সাহিত্য হৈছে সমাজ বীক্ষাৰ প্ৰতিফলন। ব্যক্তি আৰু সামাজিক জীৱনৰ সংবেদনশীলতা, নৈৰ্ব্যক্তিকতা, কলাত্মক চেতনাৰ উন্মেষ সাধনৰ দিশত সাহিত্যই সদায়ে বৌদ্ধিক স্বৰূপ প্ৰকাশি আহিছে। সাহিত্যৰ সৃষ্টিৰ ইতিহাস সম্পৰ্কত মতদ্বৈধতা থাকিলেও এই কথা কোৱাৰ প্ৰয়োজনীয়তা আছে যে সভ্যতাই নিৰ্ণায়াত্মক ভূমিকা লোৱাৰ সময়ৰে পৰা সৃজনীমূলক চিন্তাৰ প্ৰসাৰত সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে সাহিত্যই। সাহিত্যৰ সামগ্ৰিক প্ৰক্ৰিয়াটো এক নিৰৱচ্ছিন্ন সোঁত। মানুহৰ চেতনাৰ আৰু চিন্তাৰ ৰূপান্তৰৰ লগে লগে সাহিত্যৰ ধাৰা, যৌক্তিক বিশ্লেষণৰ স্বৰূপ সলনি হৈ আহিছে। বিশ্ব ইতিহাসত সাহিত্যৰ কালোত্তীৰ্ণ ৰূপটো যথাৰ্থৰূপে পৰ্যালোচনা কৰিলে দেখা যায় যে মধ্যযুগীয় সাহিত্যৰ মাজত আছে ৰূপান্তৰিত বৌদ্ধিক সমাজ এখন গঢ়াৰ অত্যুগ্ৰ আগ্ৰহ। ভাষা-সাহিত্যৰ মূল সোঁত হৈছে লোকজীৱন। লোকজীৱন আধাৰিত সাহিত্যই মধ্যযুগীয় সাহিত্যিকৰ চিন্তাধাৰক সৰ্বাত্মক ৰূপত প্ৰভাৱিত কৰিছিল। ৪১০ খ্ৰীষ্টাব্দত ৰোমান সাম্ৰাজ্য পতনৰ পিছত ৰাজনৈতিক পটভূমিৰ সলনি হোৱাৰ লগে লগে মধ্যযুগীয় সাহিত্যৰ সূচনা হোৱা বুলি পণ্ডিতসকলে অনুমান কৰিলেও এইক্ষেত্ৰত মত পাৰ্থক্য থকাটো নিতান্তই স্বাভাৱিক। দৰ্শন, ধৰ্মীয় গ্ৰন্থ, আইনী গ্ৰন্থৰ লগতে বীৰত্ব, কাল্পনিক ৰচনাসমূহে মধ্যযুগীয় সাহিত্যক প্ৰতিনিধিত্ব কৰিলেও সামগ্ৰিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে দেখা যায় যে এই শ্ৰেণীৰ সাহিত্যই আধ্যাত্মিক ৰূপ অধিক জনগ্ৰাহ্য কৰাৰ পোষকতা কৰিছিল। মধ্যযুগীয় ইউৰোপীয়ান সাহিত্যক সামন্তবাদ, গিৰ্জাই যিদৰে প্ৰভাৱিত কৰিছিল, ঠিক একেদৰে ভাৰতৰ মধ্যযুগত সনাতন আধ্যাত্মিক শৈলীক পুনৰুজ্জীৱিত কৰাৰ এক সৰ্বাত্মক নৱজাগৰণৰ সূচনা হৈছিল। ভাৰতৰ মধ্যযুগ আছিল চিৰন্তন উঠা-নমা কৰা এক অবিৰত সময়। ভাৰতীয় সাহিত্যত এই সময়ছোৱাত বিভিন্ন কাৰকে প্ৰভাৱিত কৰিছিল যদিও হিন্দু, বৌদ্ধ আৰু মুছলমান আধ্যাত্মিক শৈলীয়ে সাহিত্যৰ অন্তৰ্নীল প্ৰবাহ আছিল। এই সময়ছোৱাতে সাহিত্যই এক স্পন্দনশীল ৰূপ পৰিগ্ৰহণ কৰে। ভক্তি আন্দোলনৰ উত্থানে সাহিত্যৰ সামগ্ৰিক ধাৰাটোকে সলনি কৰি পেলাইছিল। ইয়াৰ সৈতে সংস্কাৰবাদী চেতনাও মূৰ্ত হৈ উঠে, যিটো সাহিত্যৰ অন্যতম উপাদান হিচাপে পৰিগণিত হয়। গুৰু নানক, কবিৰ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু অসংখ্য চুফী সাধকে ভক্তি আন্দোলনৰ বাৰ্তা কঢ়িয়াই আনে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি পৰ্যালোচনা কৰিলেই সহজে প্ৰত্যক্ষ কৰিব পাৰি মধ্যযুগীয় সাহিত্যৰ ভাৰতীয় স্বৰূপ। কাশ্মীৰৰ সোমদেৱৰ কথাসৰিৎসাগৰ, কালহানৰ ৰাজতৰংগিনী, জয়দেৱৰ গীতগোবিন্দ, চান্দবৰদৈৰ পৃথ্বীৰাজ ৰসো আদি গ্ৰন্থৰ মূল্যাংকন কৰিলে দেখা যায় যে ইউৰোপীয়ান সাহিত্যই মধ্যযুগক যিদৰে প্ৰতিনিধিত্ব কৰিছিল তাৰ তুলনাত ভাৰতীয় সাহিত্যৰ চেতনা কোনোগুণে কম নাছিল। মধ্যযুগীয় সাহিত্যৰ সৈতে শিল্পকলাৰো এক তাত্বিক পৰিৱৰ্তন লক্ষ্যণীয় হৈ পৰে। এই দুয়োটা দিশতে নতুন চিন্তাশৈলীৰ প্ৰৱেশ হয় আৰু বহু পৰিমাণে বাস্তৱবোধৰ প্ৰতি এক অনুভূতি সূচনা হয়। আনহাতে এই সময়ছোৱাত ভাষাৰ পৰিৱৰ্তনমুখী দিশটোৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত ভাষা-সাহিত্যৰ সম-প্ৰয়োজনীতাৰ মহত্ব প্ৰকাশি উঠে। ১০৬৬ চনত নৰ্মান ৰজাৰ বিজয়ে ফৰাচী ভাষাক সাহিত্যৰ ভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে প্ৰায় ৫০০ৰ পৰা ১১০০ চনৰ ভিতৰত ব্যৱহাৰ হোৱা ইংৰাজী ভাষা ১১০০-১৫০০ৰ ভিতৰত পৰিৱৰ্তনৰ ৰূপ এটাও সম্ভৱ কৰি তোলে। ইউৰোপীয়ান সাহিত্য, মধ্যযুগীয় সাহিত্যৰ তিনিটা বৈশিষ্ট্য উল্লেখনীয়। আধ্যাত্মিক চিন্তনৰ লিখন ৰূপ, মৌখিক সাহিত্যৰ প্ৰকাশভংগী আৰু বাস্তৱবোধৰ প্ৰতি আকৰ্ষণ। কিংবদন্তি বা লোককথাসমূহ সাহিত্য চেতনাৰ মূল প্ৰাণকেন্দ্ৰ আছিল।

আগলৈ


# ENGLISH NEWS SECTION

## Assam Governor inaugurates 'Sewa Bharati Institute of Fire, Safety and Disaster Management'



Guwahati, RB News- Assam Governor Prof. Jagdish Mukhi inaugurated the "Sewa Bharati Institute of Fire, Safety and Disaster Management" and launched a one year long 'Advanced Diploma in Occupational Safety, Health and Environment' affiliated to "Assam Science and Technology University in a function held in Yognilayam, Abhaypur, North Guwahati. Speaking on the occasion, the Governor said that nowadays special focus is being given on safety, health and environment all over the world, because these are topics related to public concern. Accidents happen due to inattention and ignorance related to industrial work. According to the latest figures of the International Labor Organization (ILO), more than six thousand people die every day due to this reason. Lauding the efforts of Prime Minister Narendra Modi, Prof. Mukhi said that the country is touching new heights of development under his able leadership. Foreign companies are investing extensively in India. The country is progressing very fast in the construction and industry sector. In such times, the introduction of courses on Safety, Health and Environment for the youth aspiring to work in the construction and industry sector is a great achievement of Sewa Bharati. Prof.Mukhi said, "Sewa Bharti, Northeast has achieved a new milestone by setting up "Seva Bharti Institute of Fire, Safety and Disaster Management" and introducing one year Advanced Professional Diploma Course in "Safety, Health and Environment". Through this course, this organization will make a significant contribution in building a better future for the youth of the Northeast." The Governor also urged upon the officers of the institute to run courses in first aid, fire fighting, personal protection, disaster management and environmental protection in the coming times, so that the youth of the Northeast can get employment in these areas as well. Akhil Bharatiya Seva Pramukh, RSS Parag Abhyankar, Chairman, Governing Body Seva Bharati Institute of Fire Safety and Disaster Management Akhil Kumar Das, President, Seva Bharati Purbanchal Ramen Sharma, MD, Noomaligarh Refinery Limited Bhaskar Jyoti Phukan along with a host of other dignitaries were present in the inaugural function.

## AAEA bats for speed data recorder in automobile



Guwahati, RB News- Understanding the concern of millions of automobile users in India following the death of a high-profile entrepreneur in a recent road accident, All Assam Engineer's Association (AAEA) bats for more advanced safety features in the vehicles, particularly those run with 80 (or above) kilometer per hour speed. The issue of seatbelts in the rear seat of a vehicle has been discussed aggressively, but the forum of graduate engineers emphasises on installing speed data recorders in the vehicles designed to move faster on the highways. The engineer's forum also urges the concerned company (Mercedes Benz) that manufactured the vehicle and faced the tragic accident in the post-midnight hours, to clarify if the inbuilt safety measures like crash sensors, airbags (both frontal and side), side-curtain bags, anti-lock brakes, traction-control, electronic stability control, lane-keeping assist, forward-collision warning, brake assist, automatic emergency braking, tire-pressure monitor, etc were installed in the car and all those measures functioned properly. The affected vehicle was reportedly running at around 140 kmph (which is still above the permissible limit) and the forum believes that the accident reconstruction experts would be able to reveal the actual speed of the vehicle just before the accident. AAEA president Er Kailash Sarma, working president Er Nava J Thakuria and secretary Er Inamul Hye in a statement argue that the modern automobile manufacturers should think of installing speed data recorders (similar to the flight data recorder) in the speedy vehicles.

## Assam to observe Bodofa's birthday as Chatra Divas



Guwahati, RB News- Assam chief minister Himanta Biswa Sarma during his visit to Kokrajhar to chair the cabinet meeting of the State government, announced that the birthday of Bodofa Upendranath Brahma (31 March) will be celebrated as Chatra Divas every year. Paying his visit to the burial ground of Bodofa at Dotoma area, Sarma offered floral tributes to the important social revolutionary for the cause of Bodo people. He also laid the foundation stone of infrastructure development involving an outlay of Rupees 10 crore in the burial ground of Bodofa. Later he visited Bodofa's residence and spent some time with the family members. He recalled Bodofa's contribution to socio-economic, cultural and academic empowerment of the Bodos and other people belonging to BTR. Sarma inaugurated the Bodoland Administrative Staff College in Kokrajhar and commented that since an efficient administration is key to development and people's welfare, the concerned college would help immensely to the government employees. The college would be helpful in infusing administrative acumen among the government servants of BTR and outside. Visiting the construction site of Kokrajhar Medical College, Sarma asked the construction agency to ensure its timely completion. He hoped that the medical college should be ready to start its academic activities from next year. In presence of State health minister Keshab Mahanta, water resources minister Pijush Hazarika, BTC chief Pramod Boro and others, Sarma also laid the foundation stone for VCDC Bhawan in the premises of BTC secretariat.

## Governor administers oath to VC of Cotton University



Guwahati, RB News- Assam Governor cum Chancellor of Cotton University, Prof. Jagdish Mukhi administered the oath of office to Prof. Ramesh Chandra Deka as Vice Chancellor of Cotton University at a function held in the Durbar Hall of Raj Bhavan. Earlier, Commissioner and Secretary to the Governor S S Meenakshi Sundaram sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by the Education Minister of the State, Dr. Ranoj Pegu, Advisor Education, Govt. of Assam Prof. Nani Gopal Mahanta, Advisor Chancellor's Secretariat Prof. M.K.Choudhury, Vice Chancellors of different universities, and senior officers of the state government.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৫ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication--11 September, 2022

## Cutie of the Week



Rayan Saikia

## Art of the Week




Deepjyoti Subedar

Beauty of the Week Art of the Week আৰু Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286




## Photography of the Week



Anuj Protim baruah

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286